হৈ যায়। কিন্তু যাৰ তাত জন্ম হৈছে, তাৰ দেহৰ শিৰাত, কবিতাৰ প্ৰবাহ নিশ্চয় হব। তাৰবাবে তাক সুপৰিচিত আৰু পুৰনি কবিসকলৰ স্তৰভুক্ত বুলিহি মানি লব লগিব আৰু ঘোষনানুসৰি তাৰ কবিতা ভাল হোৱা সত্ত্বেও তাক এই প্ৰতিযোগিতাৰ বাহিৰত বুলি মানি লব লাগিব।"

নব্য কবিসকলৰ মাজত অকল চপলেই অৰুনাচলত জন্ম লৈছে আৰু ডাঙৰ দীঘল হৈছে।

কবি চতুৰমতিৰ চুতৰীপূৰ্ন কথাও ৰজায় মনে মনে বৰ প্ৰশংসা কৰে, খুচি হয় - তেখেতৰ বক্তব্যক সম্পূৰ্ন সমৰ্থন কৰে।

ঘোষনা অনুসৰি সৰ্বশ্ৰেষ্ঠ নব্যকবিক দশ সহস্ৰ মুদ্ৰা পুৰস্কাৰ দি সন্মান জনোৱা হয়। আন আন কবিসকলকও সিহতৰ কবিতাৰ বাবে সান্ত্বনা পুৰস্কাৰ দিয়া হয়।

চপলৰ নিশ্চিত ধাৰনা; হিংসাৰ বাবেই

চতুৰমতিয়ে বৰ চালাকি কৰি তেওক প্ৰতিযোগিতাৰ পৰা ওলিয়াই দিয়ে, শ্ৰেষ্ঠ কবিৰ পুৰস্কাৰ লাভৰ পৰা তেওক ওলাই দিয়ে। তাৰবাবে চপলে চতুৰমতিৰ ওপৰত বৰ খংখাই ওঠে। ৰজাৰ ওচৰত তেখেতৰ বিষয়ে এইবোৰৰ বিষয়ে কব আৰু তখেতক শাস্তি দিয়াৰ বাবে প্ৰতিজ্ঞা কৰে। সেইসময়ত খবৰ আহে, ৰজায় তেঁওক মাতি পঠিয়াইছে।

চপলক চাই শংকৰ ৰায়ে কলে, "তুমি তোমাৰ মতামত, বাক-চাতুৰ্য দি আমাক খুচি কৰিছা, তাৰ বাবে তুমি মোৰ বৰ প্ৰিয়। এটা প্ৰয়োজনীয় কথা জনাবলৈ তোমাক ইয়াত মাতিছো।

"দেহাত যদি কোনোবায় সুগোন্ধী লগায় তেতিয়াহলে সেই সুগোন্ধ অলপ সময় দেহাত থাকে। ফুলও তেনেকুৱা, গছৰ পৰা বিচ্ছিন্ন হৈ যোৱাৰ পাছত ফুলটোৰ সুগোন্ধ অলপ সময় থাকে, তাৰপাছত নাইকীয়া হয়। অৰুনাচল ভ্ৰমন কৰি যোনে আহিছে সিহতৰ সম্পৰ্কেও আমাৰ একেটাই উক্তি। যোনে কেইদিন আগত সেই আঞ্চলৰ পৰা উভতি আহিছে, সিহতৰ কবিতাত অৰুনাচলৰ আবহাওয়াৰ গোন্ধ থাকিবই। তুমি তাত জন্ম লইছা, ডাঙৰ দীঘল হৈ উঠিছা, কিন্তু অৰুনাচল এড়ি থৈ অহাৰ পাছত বহুদিন হোৱাৰ বাবেই তোমাৰ কবিতাৰ কোনো গোন্ধ আৰু ৰস নাছিল। তোমাৰ কবিতাক পুৰস্কাৰ দিলে অকল শ্ৰেষ্ঠ কবিক অন্যায় কৰা নহল হয়, কাব্যৰ প্ৰতিও অন্যায় কৰা হ'লহয়। ইয়াৰ বাহিৰে শ্ৰোতা আৰু বিচাৰক সকলৰ চকুত ৰজায় পক্ষপাতিত্বৰ দোষত দোষী হৈ উঠিল হয়। চতুৰমতিয়ে জানিছিল যে মই তেনেধৰনৰ পক্ষপাতদুষ্ট বিচাৰ কেতিয়াও কৰিব নোৱাৰো, আৰু তোমাক পুৰস্কাৰৰ আযোগ্য বুলি ঘোষনা কৰিলে তুমি অপমানিত হলা হয়। মানুহৰ চকুত তোমাৰ যোগ্যতা আৰু সন্মানৰ ওপৰত আঘাত পড়িল হয়।

"তুমি মোৰ প্ৰিয় হোৱাৰ বাবে শ্ৰেষ্ঠ কবিৰ পুৰস্কাৰ দিব বিচাৰিলেও তোমাৰ নিম্নমানৰ কবিতাৰ বাবে সেয়া দিয়া সম্ভব হোৱা নাই, দিলে মানুহে মোকলৈ তামাশা কৰিলহয়। তাৰবাবেই মই বৰ চিন্তাত আছিলো।

"বৰ বুদ্ধিমানৰ দৰে চতুৰমতিয়ে তোমাক অপমানিত হোৱাৰ পৰা বচাইছে, আৰু মোকও বৰ সংকটৰ মাজৰ পৰা বঁচাইছে।"

চপলে বুজিবলৈ পায়, চতুৰমতিয়ে আযোগ্যক প্ৰতিযোগিতাৰ পৰা ওলিয়াই দিয়াটো অপকাৰ নহয়, উপকাৰহে কৰিছে।

কাবেৰী নদীৰ পাৰত - ৭

শেষৰ দীপটো

ৰচনা : জয়ন্তি মহালিঙ্গম

শিল্প : গৌতম সেন

ৰক ফোৰ্ট আৰু ইয়াৰ ওচৰত অবস্থিত মন্দিৰৰ আঘত দীঘি বা টেপ্পাকুলম

ইয়াতে কাবেৰী নদী পুব্ৰ-দক্ষিণ পাক লৈ সোমাই ছে ত্ৰিচিনাপল্লী জিলাত। শ্ৰী ৰঙ্গমত প্ৰবেশৰ আগলৈকে নদী বহল হৈ যায় প্ৰচণ্ড ভাবে, ইমান বহলযে তামিলমানুহ বিলাকে ইয়াতে কাবেৰী নদীক 'অখণ্ড কাবেৰী' বুলি শ্ৰদ্ধাজনায়। এই জিলাখন যি অঞ্চলত অব্ৰস্থিত সেই অঞ্চলটো তামিল নাড়ুৰ "চাউলৰ ভাণ্ডাৰ" নামেৰে পৰিচিত। নদীৰ দুয়োপৰত দেখিবলৈ পোৱা যায় দিগন্ত বিস্তৃত শশ্য, ইক্ষু, কল, পান, নাৰিকল গছে পৰিপূৰ্ন সেউজ শ্যামল পথাৰ। এই অংশলত তিৰিচিৰা নামৰ এটা তিনিটা মূৰ থকা পশুৰৰ হত্যা কৰা হৈছিল - ইয়াৰ পৰাই ত্ৰিচিনাপল্লী নামটো লোৱা হৈছিল। থিয়কৈ ৩৪৪ টো ধাপৰ চিৰি আৰ হৈ ত্ৰিচিৰ 'ৰক ফোৰ্ট ৰ শীৰ্ষ বিন্দুৰ পৰা অভিবক্ত কাবেৰীৰ অপূৰ্ব দৃশ্য দেখিবলৈ পোৱা যায়। ৮৩ মি. ওখ আহাৰৰ ওপৰত স্বাভাবিক শিলাস্তুপৰ দূৰ্গটোৰ অব্ৰস্থান, ভবা হয়, ভৌগলিক দিনৰ পৰা এইটো পৃথিবীৰ প্ৰচীনতম এটা নিদৰ্শন - প্ৰায় ৩৮ লাখ বছৰৰ পুৰনি! দুৰ্গটো মুলাতে চোল সাম্ৰাজ্যৰ ৰজা বিলাকে নিৰ্মান কৰিছিল খ্ৰীষ্টপুৰ্ব ২য় শতীকাত আৰু ২য় শতীকাৰ মাজভাগৰ কোনো সময়ত. সেই সময়ত ত্ৰিচি আছিল সেই সাম্ৰাজ্যৰ ৰাজধানী। দূৰ্গৰ স্থানীয় নাম মালাইকোটাই। এই দুৰ্গই বহুতো যুদ্ধৰ সাক্ষী বহন কৰি আছে, তাৰ পিতৰত ১৭৫১ চনৰ ইংৰাজ ফৰচীৰ মাজত কৰ্ণটিক যুদ্ধ। ত্ৰিচ্কি তিনি বসৰ আবৰুধ কৰি ৰকা হৈছিল। শেষত ৰবাৰ্ট ক্লাইবৱ জয় হয়।



শিলৰ ওপৰত গণেশ মন্দিৰ

বৰ্তমানে দুৰ্গটো প্ৰায় ধংশপ্ৰাপ্ত, অকলপ্ৰধান দুৱাৰখন অক্ষত অবস্থাত আছে। সবোতকৈ ওপৰত আছে গণেশৰ প্ৰতি নিবেদিত উচ্চি পিল্লাইৰ মন্দিৰ। তলত নমাৰ পথত আৰু বহুতো মন্দিৰ আছে। ইয়াৰ মাজত প্ৰাচীনতম পল্লপ গুহামন্দিৰ দক্ষিনমুখী। মন্দিৰৰ গাতে খোদিত লিখা চাই নিঃসন্দেহে কৱ পাৰি (৬০০ - ৬৩০ খ্ৰীষ্টাব্দ) পল্লব ৰজা প্ৰথম মহেন্দ্ৰ বৰ্মনৰ ৰাজত্বকালত মন্দিৰটো আবিস্কৃত হয়। হিন্দু দেবদেবীৰ বহুতো শিলামূৰ্তি দেখিবলৈ পোৱা যায় ইয়াত। গঙ্গা ধৰৰ মূৰ্তিত খচিত এটা নিদৰ্শনত কাবেৰীৰ সৌন্দৰ্য ফুটি উঠিছে। পল্লব ৰজাৰ প্ৰিয়তমা এই নদী চকুৰ দৃষ্টিক কাহি নিছে.... দুয়োপাৰে সেওজীয়া তৃনভূমি যেন ইয়াৰ মালা ... ”

পাহাড়ৰ মাজভাগৰ ঠাইত আছে ১০০ টা স্তম্ভবিশিষ্ট শিবমন্দিৰ মাতৃভূতেশ্বৰ। থায়ুমান বাৰ নামেৰেও এই দেবামূৰ্তিটো পৰিচিত, যাৰ অৰ্থ, যিজনে মাতৃৰূপও গ্ৰহন কৰিব পাৰে। মানুহে কয় যে, ৰত্নাবতী নামেৰে এজনী গৰ্ভবতী মহিলাই তাইৰ মাকৰ কাৰনে অপেক্ষাত আছিল, তাইৰ মাকৰ নিবাস পুমপুহাৰত। কাবেৰীত বানপানী হোৱাৰ কাৰনে তাইৰ মাকে নদী পাৰ হৈ আহিব নোৱাৰে। ইয়াৰ মাজত, ৰত্নাবতীৰ প্ৰসবৰ সময় হোৱাত শিৱই তাইৰ মাকৰ ৰূপ গ্ৰহন কৰি তাইৰ সেৱা কৰে এক সপ্তাহ ধৰি, তাইৰ মাক ত্ৰিচিত অহাৰলৈকে। একেই নামেৰে তাতে এজন সাধু আছিল, “শিবন সেয়াল” নামেৰে বহুতো ভক্তিমূলক পদ্য লিখে।

আৰু ৭ কি.মি. যোৱাৰ পিছত কাবেৰী

শ্ৰীৰঙ্গম মন্দিৰৰ স্বৰ্ণ-বিমান

বিভক্তহৈ গতিপথত শেষ দ্বীপটোৰ সৃষ্টি কৰে। ইয়াৰেই নাম শ্রী ৰঙ্গম বা অন্তৰঙ্গ। শ্রী ৰংগনাথ স্বামী (বিষ্ণু) ৰ ধুনীয়া এই মন্দিৰ সম্ভবত খ্রীষ্টাব্দ তৃতীয় বা চতুর্থ শতিকাত শ্রীৰংগমত বনোৱা হয়। মানুহে কয় যে, শ্রীৰংগম মন্দিৰৰ মূল বিগ্রহটো ৰামে বিভীষনক দিয়ে। লংকাত ঘূৰি অহাৰ সময়ত বিভীষনে ক্লান্তি বোধ কৰাত কাবেৰীৰ পাৰত বিশ্রামৰ কাৰনে শুই পৰিছিল। কিছুসময় পিছত তেঁও পবিত্র বিগ্রহটো তোলাৰ চেষ্টা কৰিছিল, কিন্তু দেখিলে সেইটো ভূমিৰ মাজত পুতখাই আছে। বিভীষনৰ উচ্চস্বৰত বিলাপে চোল ৰজাক আকৃষ্ট কৰাত তেখেতে তেঁওক সান্তনা দিয়ে। ভগবান ৰংগনাথ আবির্ভূত হৈ ইচ্ছা প্রকাশ কৰে

শ্রীৰঙ্গম মন্দিৰৰ গোপুৰম বা প্রবেশ দ্বাৰ

যে, কাবেৰীৰ পবিত্র নদীৰ পাৰত তেঁও থাকিবলৈ বিচাৰে। লংকাৰ পিনে মুখ কৰি তেঁও দক্ষিন দিনে মূৰ দোৱাই থাকিব। তাৰ পিছত সেই পবিত্র বেদীৰ্ন আৱৰী মন্দিৰ প্রতিষ্ঠিত হয়।

শ্রী ৰংগম মন্দিৰ 'তিৰুবৰাংগম' বা অকল 'মন্দিৰ' নামেৰে পৰিচিত। ভাৰতৰ এই ডাঙৰ মন্দিৰটো ৬,৩১,০০০ বৰ্গমিটাৰ আয়তনৰও বেছি ঠাই জুৰি আছে। সাতটা পৰিবেষ্টিত চত্বৰৰ অভ্যন্তৰত আছে মূল মন্দিৰটো। একেবাৰে বাহিৰৰ পৰিবেষ্টন বা প্ৰাচীৰৰ দীঘল আৰু পথালি ৭৪২ মি. আৰু ৪৬৪ মি.। লাহে লাহে বাহিৰৰ তিনিটা পৰিবেষ্টিত স্থানত আছে বহুতো দোকান-বজাৰ, ঘৰ যেনে এখন সৰু চহৰ। দহ লাখৰও বেছি মানুহ ইয়াত বাস কৰে। মোঠ ২১টা গোপুৰম বা সুসজ্জিত দৰজা আছে। সেই বিলাকৰ ভিতৰত ৰজাগোপুৰম দেখিবলৈ পোৱা যায়। ১৩ তলা বিশিষ্ট এই গোপুৰম নির্মানৰ কাম ১৮ শতিকাত আৰম্ভ ইংগ-ফৰাচী যুদ্ধৰ সময়ত বনোৱাৰ কাম ব্যাহত হয়। ১৯৮৬ চনত ইয়াৰ নির্মান সম্পূর্ন হয়। মূল মনিদৰটো বৰ সৰু, ৭২ মি. আৰু ৫৪ মি দীঘল আৰু পথালি। মূল মন্দিৰৰ ভিতৰত পুৰুহিতবিলাকে কপূৰ্বৰ প্ৰদীপ জ্বলায় দেবমূৰ্তিৰ আগত তেতিয়াই একমাত্ৰ দৰ্শক বিলাকে দেবমূৰ্তী দৰ্শন কৰিব পাৰে।

মন্দিৰৰ অভ্যন্তৰত আছে বাৰজন প্ৰখ্যাত বৈষ্ণৱ সন্ত কবি আলোৱাৰৰ উদ্দেশত নিবেদিত বেদী। সিহতৰ লিখা গীতি কাব্যবিলাক উদ্ধাৰ কৰে - 'নালাইয়ৰা প্ৰবন্ধম' নামেৰে এটা সঙ্কলিত গ্রন্থকৰে আৰু বেদান্ত দাৰ্শনিক-শ্রীৰঙ্গম মন্দিৰত তেওঁৰ প্রতি নিবেদিত বেদীও আছে।

চতুর্থ পৰিবেষ্ঠনৰ অভ্যন্তৰত হয়সালা শিল্পৰ্ধাচৰ বেনুগোপাল কৃষ্ণৰ ধুনীয়া ভাস্কৰ্য আৰু শিল্পকাৰ্যত ভৰি থকা দক্ষিণ ভাৰতৰ এখন ধুনীয়া মন্দিৰ। ইয়াতেই আছে সহস্ৰ স্তম্ভৰ হলঘৰ, য'ত শোভাযাত্ৰাত অংশলোৱা যান ৰখা হয়। ইয়াতেই বহুতো স্তম্ভ পৰিশোভিত হলঘৰ, 'কম্ব ৰামায়ণ'ৰ ৰচয়িতা প্ৰখ্যাত তামিল কবি কাম্বনৰ নামেৰে নাম ৰখা হয়।

মাদুৰাই আৰু তাঞ্জোৰত নায়ক সাম্রাজ্যৰ সময়ত শ্রীৰঙ্গম মন্দিৰ জমি আৰু বেলেগ বেলেগ বহুতো

মূল্যবান বস্তুবাহিনী উপহাৰ হিচাবে লাভ কৰে। মন্দিৰটো বনোয়াৰ পাছত নতুনকৈ বহুতো লগ লগোৱা হৈছে। অচুতাপ্পা নায়ক আছিল সবোতকৈ দয়াশীল, গোবিন্দ দিক্ষিতাৰ আছিল তেওঁৰ সুযোগ্য প্ৰধানমন্ত্ৰী যোনে ৰাজাক জনহিতকৰ কামত সদায় সহায়তা কৰে। তেওঁৰ ৰাজত্বকালত 'বিমান' আছিল আগত আৰু পিছ পালে সোনেৰে মেড়োৱা। নায়কসকলৰ ৰাজত্বকালত 'ৰক ফোৰ্ট'টো বনোৱা হয় আৰু দুৰ্গৰ প্ৰতিৰক্ষাক আৰু শক্তিশালী কৰা হয়।

তাত এজন মুসলিম ৰাজকন্যাৰ স্মৰনত নিবেদিত বেদী আছে, ৰঙ্গনাথৰ প্ৰতি যাৰ বৰবেছি ভক্তিআছিল। থুলুক্কা নাচিয়াৰ নামেৰে ৰাজকন্যা তাত পৰিচিত। সদায় ৰতিপুৱা ৰুটি, মাখন, গাখীৰ আৰু কাঁচা ছোলা দেবতাৰ আগত নিবেদন কৰা হয়, ইয়াৰেই এটা অংশ ৰাজকুমাৰীৰ বেদীৰ আগত ৰখা হয়।

প্ৰতি বছৰত ডিচেম্বৰ-জানুয়াৰী মাহত 'বৈকুণ্ঠ একাদশী'ৰ সময়ত মন্দিৰত ডাঙৰ অনুষ্ঠানৰ আয়োজন কৰা হয়। এই উৎসবত দেবমূৰ্তি শোভাযাত্ৰাসহকাৰে মন্দিৰৰ যানত লৈ যোৱা হয় - সহস্ৰ সহস্ৰ ভক্ত ৰথযানটো টানি লৈ যায়। মাৰ্চ-এপ্ৰিল মাহত আকৌ ভগবানৰ বিগ্ৰহক মহাসমাৰোহেৰে লৈ যোৱা হয় ত্ৰিচিৰ ওচৰত থকা আগৰ চোল সাম্ৰাজ্যৰ ৰাজধানী উৰাইয়ুৰ অঞ্চলত নাচিয়াৰ মন্দিৰত। নদিনমান ধৰি এই উৎসব ইয়াত হয়, শেষত উৎসব শেষ হয় দুয়োপক্ষৰ নীৰব পুৰোহিত সকলৰ মাজত বাদ-বিতণ্ডাৰ মাজেৰে।

তামিল নববৰ্ষৰ দিনত বছৰীয়া উৎসবৰ দিন, সেইদিনাখন বিশেষ পোচাক পিন্ধি কোষাধ্যক্ষ দেবতাৰ আগত আহি থিয় হয়। তাত থিয় হৈয় এনেদৰে অভিনয় কৰে যাৰ মাধ্যমত বুজাই দিয়ে, ভগবান ৰঙ্গনাথ এতিয়াও আছে, চিৰকাল থাকিব-তেৰৱই প্ৰতিনিধি হৈ পুৰোহিতে জমি, গাঁও কল্পিত কোনো ব্যক্তিক ভাড়া হিচাপে দি আছে। জমি গাঁও দেবতাৰ নিজৰ!

শ্ৰীৰঙ্গম মন্দিৰৰ সহস্ৰ স্তম্ভৰ হলৰ অভ্যন্তৰত ভাস্কৰমূৰ্তি

এইটাইত কাবেৰী দ্বীপটো অৱৰি থাকিলেও দুটামান শাখা সম্পূৰ্ন ভাবে শ্ৰীৰঙ্গমৰ পুৱফালে একেলাগ হোৱা নাই। এটি শাখা পিথককৈ উত্তৰফালে আগবাঢ়ি আৰু এটা শাখানদী কোলেৰুন বা কালিদাসৰ সৃষ্টি কৰে। তাত বিভক্ত হৈছে নদী, তাত ১৬০০ বসৰৰ আগত তেওঁৰ ৰাজত্বকালত চোল-ৰজা কাৰিকালান গ্ৰাণ্ড অ্যানিকাট বা কালানাই নামেৰে এটি ধুনীয়া জলাধাৰ বনায়।

বিজয়ৰ বিয়া

চন্দ্ৰিকা দেশৰ ৰজা চন্দ্ৰসেন আৰু ৰানী চন্দ্ৰাৱতী। বিয়াৰ পিছত বহু বছৰ কাটি যৌয়, কিন্তু এজনো সন্তান নোহোৱাত সিহঁত যেনেকুৱা চিন্তিত তেনেকুৱাই দুঃখিত। অনেক পূজা-পাঠ যজ্ঞানুষ্ঠান আৰু ঋষি-মুনিসকলক সেৱা শুশূষা কৰাৰ পিছত এটি সুন্দৰী কন্যাৰ জন্ম হয়। ৰাজ দম্পতি পুত্ৰ সন্তান বিচাৰিছিল যদিও কন্যাকেই পুত্ৰ বুলি লালন-পালন কৰে। ক্ৰমে পুত্ৰৰ বাসনা আৰু সিহঁতৰ নাথাকে।

ৰাজকুমাৰীৰ নাম মধুমিতা। ৰাজ প্ৰসাদত বহু দাস-দাসী, কিন্তু বয়সস্তা এক দাসী শান্তাৰ সতেই থাকে মধুমিতা।

যেতিয়া মধুমিতাৰ বয়স পাঁচ বছৰ তেতিয়া তাইৰ সমবয়সী কোনো খেল- ধামালী সঙ্গী নথাকাত প্ৰায়ে উদাস হৈ থাকে। শান্তাই তাইৰ মনৰ কথা বুজি পায়। শান্তাৰ এক নাতি আছে তাৰ একেই বয়স। নাম বিজয়। মনৰ এই উদাস ভাব পৰিবৰ্তনৰ বাবে শান্তা প্ৰায়েই বিজয়ৰ কথা কয়। মধুমিতা মনদি বিজয়ৰ কথা শুনে, তাইৰ মন আনন্দত ভৰি ওঠে। এদিন মধুমিতায় শান্তাক কয় "অহাকালি তোমাৰ লগত বিজয়ক লৈ আহিবা ধাইমা। আমি দুজনে একেলগে খেল-ধামালী কৰিম।"

শান্তাৰ ভয় হয়, বিজয়ক ৰাজভৱনৰ ভিতৰত লৈ আহিলে মহাৰাজে যদি খংকৰে। এইফালে ৰাজকুমাৰীৰ ইচ্ছাক অবজ্ঞা কৰিব নোৱাৰে। পিছৰ দিনা নাতিক লৈ আহে, কোনেও একো আপত্তি নকৰে। মধুমিতা বিজয়ৰ লগত খেল-ধামালী কৰি বৰ আনন্দিত হয়, গোটেই দিন তাৰ লগতে কটাই দিয়ে। মধুমিতাক বিজয়ৰ লগত আনন্দিত দেখি মহাৰাজ মহাৰানী খুব ভাল পায়। সদাই আহে, ৰাজকুমাৰীৰ লগত খেল-ধামালী কৰে।

বহুত দিন পাৰ হৈ যায়। দূয়োজন ডাঙৰ হৈ উঠে। এদিন মহাৰানী বিজয়ৰ লগত। ৰাজকুমাৰীক দেখি ভাবে এতিয়া আৰু সিহঁত সৰু নহয়। এতিয়াৰ পৰা মধুমিতাৰ বিয়াৰ কথা ভবা উচিত মহাৰজাক সেই কথা জনায়। ঠিক পিছৰ দিনৰ পৰা বিজয়ৰ অহা বন্ধ হৈ যায়। ৰাজদম্পতিয়ে গুৰুত্ব দিয়ে ৰাজকুমাৰীৰ বিয়াৰ বিষয়ে।

হঠাৎ বিজয়ৰ অহা বন্ধ হৈ যোৱাত

মধুমিতাৰ বৰ বেয়া লাগে। দাসীহঁতৰ ওচৰত তাইৰ বিয়াৰ কথা শুনে। এদিন শান্তাক কয় "ধাইমা মই বিজয়ৰ বাহিৰে আন কাকো বিয়া নকৰো। যদি নহয় তেন্তে মই জীয়াই নাথাকো।"

এই কথা শুনি শান্তা ভয়ত কঁপি উঠে। তাই জানে ৰাজকুমাৰী আৰু বিজয় দুয়ে দুয়োক ভাল পায়। কিন্তু এই কথা সপোনতো ভাবিব নোৱাৰে যে বিজয়ক বিয়া কৰাৰ কাৰনে মধুমিতা প্ৰতিজ্ঞা বদ্ধ। যদি সেয়ে হয় তেন্তে তাইৰ নাতিৰ জীৱন ভয়ঙ্কৰ হৈ উঠিব।

শান্তা ভাবি নাপায় কি কৰিব। তাই, ভাবে বিজয়ক ৰাজ প্ৰসাদৰ অন্দৰমহলত লৈ যোৱাৰ কাৰনেই এই পৰিনতি, ইয়াৰ দায়ী তাই নিজেই। বহুতো ভাবি ৰাজকুমাৰীক এই বুলি পৰামৰ্শ দিয়ে যে "তুমি এক কাম কৰা, মহাৰাজ আৰু মহাৰানীক কোৱা যে তুমি এতিয়া বিয়া কৰিব নিবিছাৰা। ইয়াৰ ভিতৰত কিবা এটা উপায় ঠিক কৰিম।"

শান্তাৰ এই পৰামৰ্শ মানি লয় ৰাজকুমাৰীয়ে। তাই তাৰ ওচৰত এই খবৰ শুনি বিজয় আনন্দত উপচি পৰে। কিন্তু শান্তাই নাতিক বুজনি দিয়ে এইবুলি যে, "নাভাবিবা এই অকনমানি আনন্দত তোমাৰ কিবা লাভ হব বুলি। ৰাজকুমাৰীৰ যোগ্য হৈ উঠিব লাগিব। অৰ্থ ও শক্তি অৰ্জন কৰিব লাগিব। ইয়াৰ বাবে বুদ্ধি বলৰ প্ৰয়োগ কৰা। এজন ৰাজকুমাৰ তকৈও বেছি যোগ্য হৈ উঠিব লাগিব তোমাৰ। এনে যোগ্য হৈ উঠাৰ চেষ্টা কৰা যে মহাৰাজ নিজে ৰাজকুমাৰীৰ লগত তোমাক বিয়া দিয়াৰ ইচ্ছা। প্ৰকাশ কৰে।

তাইতাৰ মন্তব্য শুনি বিজয় গম্ভীৰ হৈ যায়। পিছৰ দিনা ৰাতিপূৱা ওলাই যায় এই সংকল্প লৈ যে ধন, শক্তিআৰু যোগ্য তাৰ হব লাগিব। খোজকাড়ি যাওঁতে যাওঁতে সি এক জঙ্গল আহি পায়। তাত এজন ব্যক্তিৰ লগত দেখা হয় তেওঁৰ। সেই মানুহজনে এটা বাদ্যযত্ৰ লৈ এজোপা গছৰ তলত উদাস হৈ বহি আছে।

বিজয়ে প্ৰশ্ন কৰাত তাৰ পৰিচয় দি কয়, "মোৰ নাম অনুৰাগ। বহুদিন ধৰি গুৰুৰ সেৱা কৰিছো। সেয়ে তেওঁ এই বাদ্যযন্ত দিছে। এইটো বজালে এনে বিকৃতস্বৰ ওলাব যি শুনিলে দুষ্ট সকলৰ মূৰৰ বিষ আৰম্ভ হৈ যায়। এই বাদ্যযন্ত্ৰ মোৰ বাবে এটা অৰ্থহীন পুৰস্কাৰ মাথো।"

"ধৈৰ্য্য ধৰা। বুদ্ধিৰ ব্যবহাৰ কৰি ইয়াৰ পৰাও লাভ কৰা যাব। মোৰ লগত বলা। "উৎসাহ দিয়ে বিজয়ে। তাৰ পিছত তেওঁক লৈ যোৱা আৰম্ভ কৰে। কিছুদূৰ যোৱাৰ পিছত আৰু এজন মানুহৰ লগত দেখা হয়। তেওঁ মাটিৰ তলত মূৰ সোমাই শীৰ্ষাসৰৰ নিচিনা ভৰিদূটা ওপৰত দি আছে। কিছুসময় পিছত

মাটিৰ পৰা মূৰ ওলোৱাত বিজয় সুধিলে "কোন তুমি, কিয়ই বা মাটিৰ ভিতৰত মূৰ সোমাই এনেদৰে আছা?"

"মোৰ নাম নেত্ৰ। ভূগৰ্ভৰ ভিতৰত লুকাই থাকা সম্পদ মই দেখিছিলো।" বিজয় আচৰিত হৈ সুধিলে, কিবা দেখিছানে ?"

"হয় স্পষ্ট দেখিছো মই, প্ৰায় এশফুট ভিতৰত অফুৰন্ত সোন পূৰ্ন হৈ আছে। মই অকলে এই মাটি কাটি সেইবোৰ উলিয়াব নোঁৱাৰিম।" বেয়াসোৰে কয় নেত্ৰ।

"চিন্তা নকৰিবা। সকলো ঠিক হৈ যাব। কোৱাচোন এই শক্তি তুমি কত পালা? সান্তনা দি সুধিলে বিজয়।

"এজন মুনি এজোপা গছৰ তলত ধ্যানমগ্ন হৈ আছিল। হঠাৎ তাত এটা বাঘ আহি জপিয়াই পৰে। মই ধেনুৰে আঘাত কৰি বাঘটোক মাৰি পেলাও। মুনি প্ৰসন্ন হৈ মোক এই "দৃষ্টি" দিলে।

"চিন্তা দূৰ কৰি মোৰ লগত ব'লা। সময় আহিলে সকলো ঠিক হৈ যাব।" নেত্ৰকো লগত লৈ বিজয় আকৌ যোৱা আৰম্ভ কৰিলে।

আৰু অলপ আগুৱাই যোৱাত এজন চিকাৰীৰ লগত লগ হয়। তাৰ হাতত এটা সৰু পুতলা ধেনু। এজোপা গছৰ তলত বহি একমনে কিবা চিন্তা কৰি আছে। বিজয়ে তেওঁক প্ৰশ্ন কৰিলে "সৰু লৰা ছোৱালীৰ খেলৰ ধেনু লৈ তুমি কি কৰি আছা? এইটো ৰে এটা চৰাইও মাৰিব নোৱাৰিবা।"

"এইটো সৰু লৰা ছোৱালীৰ খেলৰ নহয়, অদ্ভুত শক্তিমান এক দিব্য ধেনু এইটো। বলবানৰ পৰাও বলবান শত্ৰুও ইয়াৰ আঘাতত শোন কালৰ ভিতৰত ধৰাশায়ী হৈ যায়।অকল লক্ষ্যৰ ওপৰত দৃঢ় সংকল্পৰ লগত একান্ত চিত্ত লৈ দেবীক স্মৰন কৰি বান নিক্ষেপ কৰিব



লাগিব।" চিকাৰীয়ে পুতলা ধেনুৰ মহিমা কয়।"

"কিন্তু এই দিব্যাস্ত্ৰ তুমি কেনেকৈ পালা? তোমাৰ নাম কি? বিজয় জানিব বিচাৰে।

চিকাৰী তেওঁৰ পৰিচয় দি কয় "মোৰ নাম শক্তি। এজন তান্ত্ৰিক মানুহক প্ৰলোভন দি আবদ্ধ কৰি দৃষ্ট শক্তিহঁতৰ বাবে সিহঁতক বলি দিয়ে। ময়ো তাক কোনোমতে প্ৰলোভন দি দেৱীৰ চৰনত বলি দিছো। দেবী প্ৰসন্ন হৈ এই দিব্য ধেনু মোক প্ৰদান কৰে। ইয়াৰ ব্যৱহাৰ কেনেকৈ কৰিম, সেইটোৱেই চিন্তা কৰি আছো।"

"চিন্তা নকৰি মোৰ লগত ব'লা। এইবুলি শক্তিকো লগত লৈ যায়। বিজয়ৰ লগত তেতিয়া অনুৰাগ, নেত্ৰ আৰু শক্তি- চাৰিজন আগুৱাই যায়।

অলপদূৰ যোৱাৰ পিছত কঠোৰকৰ্ন নামেৰে এক নৰভোজী ৰাক্ষসৰ ওচৰ আহি পায়। এই



বাটেৰে যি মানুহ যায় তাকেই গিলি খায় এই ৰাক্ষসে। বিজয় আৰু তাৰ লগৰীয়া তিনিজনক দেখি ফূৰ্তিৰ চিঞঁৰ মাৰি সিহঁতৰ ফালে আগুৱাই আহে।

বিজয় তেতিয়া অনুৰাগৰ ওচৰৰ পৰা বাদ্যযন্ত্ৰটো নি বজোৱা আৰম্ভ কৰে। বাদ্যৰ পৰা ওলাই অহা কৰ্কস বিকৃত সুৰ শুনি ৰাক্ষসৰ মূৰৰ বিষ আৰম্ভ হয় এনেকুয়া যেন তাৰ মূৰ ফাটি যাব। বিজয় বজায়েই থাকে। ৰাক্ষস বিখত ছটফটাই কৰিবলৈ ধৰে, এই বাদ্য এটা ঘাতকৰ দৰে। তুমি এইটো কত পালা ? এতিয়াই বন্ধ কৰা। মই তোমাৰ ভৰিত ধৰিছো। মই তোমালোকক নাখাওঁ। তোমালোকো যি কোৱা তাকেই কৰিম।"

বিজয় বাদ্য বজোৱা বন্ধ কৰি ৰাক্ষসক তাত লৈ যায় য'ত নেত্ৰই সোনৰ বিষয়ে কৈছিল। ৰাক্ষসক মাটি খান্দিবলৈ কয়। ৰাক্ষসে তাৰ সম্পূৰ্ন বল প্ৰয়োগ কৰি মাটি খান্দি কিছু সোন ওপৰলৈ তুলি আনে।

তাৰপিছত ৰক্ষসটোক বিজয়ে মুক্তি দিয়ে। তিনিজন আৰু সঙ্গী সোনখিনি লৈ বিজয়ে মহাৰাজৰ লগত সাক্ষাৎ কৰে। সোনখিনি ৰজাক দি কলে, আৱশ্যক হলে প্ৰজা কল্যানৰ বাবে তেওঁলোকে আৰু সোন ৰজাক দিব পাৰিব।

ৰজা চন্দ্ৰসেন বৰ আনন্দ হয়। বিজয়ক তেওঁ ৰাজকীয় সম্মান প্ৰদান কৰে আৰু ৰাজ প্ৰসাদৰ বিশিষ্ট অতিথি গৃহত সঙ্গী সকলৰ হৈতে থকাৰ ব্যবস্থা কৰি দিয়ে।

হঠাৎ ওচৰচুবুৰীয়াৰ ৰাজ্যৰ ৰজা প্ৰতাপচাঁদ ৰজা চন্দ্ৰসেনৰ ওচৰত এক বিচিত্ৰ প্ৰস্থাপ পঠায়। দূতৰ সহায়ত সংবাদ পঠায় যে, ৰজা চন্দ্ৰসেন যাতে তেওঁৰ একমাত্ৰ কন্যা ৰাজকুমাৰী মধুমিতাৰ লগত তাৰ একমাত্ৰ পুত্ৰৰ বিৱাহ প্ৰস্তাৱ স্বীকাৰ কৰে। এশ হাতী, দশ সহস্ৰ অশ্বাৰোহী ও পঞ্চাশ সহস্ৰ পদাতিক সৈনা দল লৈ অলপদিন পিছত শৰৎ কালত চন্দ্ৰিকা ৰাজ্য আক্ৰমন কৰিব প্ৰতাপচাঁদে।

সংবাদ শুনি ৰজা চন্দ্ৰসেন বৰ চিন্তিত হয়। প্ৰতাপ চাঁন্দৰ পুত্ৰৰ সতে মধুমিতাৰ বিয়া দিয়াৰ কোন ইচ্ছা নাই, আকৌ এই বিশাল সেনাবাহিনীক প্ৰতিৰোধ কৰাৰ নিচিনা ক্ষমতাও তেখেতৰ নাই। সেইঠাইৰ ৰাজপুত্ৰ বৰ বিশালী, দূৰাচাৰী আৰু অযোগ্য; কোনোমতেই মধুমিতাৰ লগত তাৰ মিল নাখায়। আনফালে তেওঁৰ ইমান সৈন্যও নাই। সেয়ে যুদ্ধ কৰাও সম্ভৱ নহয়।

মহাৰাজ চন্দ্ৰসেন এই কথা ৰানী আৰু মধুমিতাক কয়। মধুমিতাৰ বাবে ৰজাৰ এনেধৰনৰ বিপদৰ কথা বিজয়েও গম পালে।

বিজয় অকলে ৰজাৰ লগত সাক্ষাৎ কৰি কয়, "মহাৰাজ ! এনেধৰনৰ অপমানজক

পৰিস্থিতিত যি কোনো পৰিস্থিত ৰাজ্য আপোন স্বাধীনতা ও মৰ্য্যাদা ৰক্ষাৰ বাবে যুদ্ধটোই স্বীকাৰ কৰি লয়। তাৰ ফল যিয়েই হক। সন্মানৰ সৈতে যুদ্ধক্ষেত্ৰৰ মৃত্যুক আলিঙ্গন কৰা অপমানকৰ জীৱন। সি যিমানেই সুখৰ হউক। অপেক্ষা লক্ষ লক্ষ গুন শ্ৰেয়। আপোনি ভীতি চিন্তা দূৰ কৰি যুদ্ধৰ বাবে সাজু হউক আৰু এই দূতক যুদ্ধৰ সম্মতি জনাই বিদায় দিয়ক।

"ওচৰ চুবুৰীয়াৰ ৰজা এটা অসুৰ, মহাবদমাছ - তাৰ একমাত্ৰ পুত্ৰও লম্পট, বিলাসী এবং দুৰাচাৰী। এইবোৰ তাৰ পঠোৱা দূতৰ পৰাই জনা গ'ল। মোৰ লগৰীয়া শক্তিৰ ওচৰ? দুষ্ট শক্তিসকলৰ সংহাৰ, কৰাৰ বাবে এটা দিব্য ধেনু আছে। মোৰ বিশ্বাস, এই দিব্য ধেনুৰ সহায়ত দুষ্ট শক্তি পৰাভূত হব, বিৰোধীশক্তি যিমানেই বিশাল হওক।

"আপোনাৰ সৈন্যবাহিনী যিমানেই সৰু হউক মোৰ সতে পঠাই দিয়ক। আপোনি ৰাজপ্ৰসাদত নিৰ্ভয়ে নিশ্চিন্তে থাকক।

ৰজাৰ সৰু সৈন্যদললৈ বিজয় যাত্ৰা আৰম্ভ কৰে, লগত তাৰ তিনি জন লগৰীয়া। কঠোৰ কৰ্ণকো সংবাদ দিয়ে।

বিজয়ৰ হাতত আৰু পূতলা ধেনু দেখি হাতীৰ ওপৰত ৰনসজ্জত সজ্জিত প্ৰতাপচাঁদ হাঁ হাঁ কৰি হাঁহি বাৰলৈ ধৰে, "আৰে মূৰ্খ, সৰু লৰা-ছোৱালীৰ পুতলা ধেনু ইয়াত কিয়? এইটো খেলিব লগীয়া ঠাই নহয়। যুদ্ধক্ষেত্ৰ।

বিজয় তাৰ মনক শান্ত কৰি দেৱীক স্মৰন কৰি একাগ্ৰচিত্ত হৈ ৰজা প্ৰতাপচাঁদৰ বুকুলৈ লক্ষ্য স্থিৰ কৰি বান এৰে।

বান চিধা গৈ লাগে প্ৰতাপচাঁদৰ বুকুৰ মজত। এই আঘাতত হঠাৎ হাতীৰ ওপৰৰ পৰা তলত বাগৰি পৰি প্ৰান হেৰুবায়। তেতিয়া অনুৰাগ শত্ৰু সেনা সকলৰ মাঝত সোমাই গৈ তাৰ বাদ্য বজাবলৈ আৰম্ভ কৰি দিয়ে। শত্ৰু সেনা সেই শব্দ শুনি মূৰৰ যন্তনাত ইফালে-সিফালে পলাবলৈ ধৰে। ৰাক্ষস কঠোৰকৰ্ন দূৰত থিয়হৈ শত্ৰুসৈন্য সকলো ধৰি গিলি খায় আৰু হত্যা কৰে। যুদ্ধ আৰম্ভ হোৱাৰ আগতেই ৰজাৰ মৃত্যু হয়, বিশাল সৈন্য বাহিনী ছত্ৰভঙ্গ হৈ পলাবলৈ ধৰে প্ৰানৰ ভয়ত। "বিজয়ৰ জয়" ধনি সৰ্বত্ৰ ধবনিত হবলৈ ধৰে। যুদ্ধত প্ৰতাপচাঁদৰ পুতেকৰো মৃত্যু হয়।

ৰজা চন্দ্ৰসেন বৰ ধূমধামেৰে মধুমিতাৰ লগত বিজয়ৰ বিয়া দিয়ে। যৌতুক হিচাপে দিয়ে সদ্য বিজয় প্ৰাপ্ত ওচৰচুবুৰীয়াৰ ৰাজ্য। বিজয় তাৰ লগৰীয়া সকলক ৰাজ্যৰ মন্ত্ৰীপদ দিয়ে। বিজয়সেন নামে সুপ্ৰসিদ্ধ ৰজা হৈ ওঠে।

সৃজন শীলতাৰ প্ৰকাশ

এই পৃষ্ঠাত বাক্যটোৰ মূলভাব বা মৰ্মাৰ্থকত ঠিক ৰাখি সৰু কাহিনী লিখাৰ এটা নমুনা সামাজিক পটভূমিকাত লিখা এইটো এনেধৰনৰ আৰু বহুতো।

আঙুৰ ফল টেঙা !

এখন গাঁওৰ এজন ব্যৱসায়ী, ৰামনাথ তেঁওৰ নাম। গাঁওত তেঁওৰ বৰ সুনাম, প্ৰতিষ্ঠা। তেঁওৰ এজনী বিয়াৰ যোগ্যা ধুনীয়া ছোৱালী আছিল, তাইৰ নাম সুকন্যা। লিখাপঢ়া তাই বেচি কৰিব পৰা নাই, কিন্তু ঘৰৰ কামত তাই আছিল বৰ দক্ষ। ৰামনাথ আৰু তেঁওৰ ঘনীয়েক দময়ন্তীয়ে তাইৰ বিয়াৰ কথা চিন্তা কৰে।

ৰামনাথৰ এজন বন্ধু শ্যামসুন্দৰ, তেঁও প্ৰথমে গাঁওত আছিল। তেঁওৰ ব্যৱসায় ডাঙৰ কৰাৰ বাবে তেঁও চহৰত গৈ থাকিবলৈ আৰম্ভ কৰে। তেঁওৰ পুত্ৰ মনোহৰ চিকিৎসক হৈ বিদেশত কামৰ বাবে যায়।

"আপোনাৰ বন্ধু শ্যামসুন্দৰৰ পুত্ৰৰ এতিয়াও বিয়া হোৱা নাই। শুনিছো, সিহঁতেও পুত্ৰৰ বাবে এজনী যোগ্যা কন্যা বিচাৰি আছে। তেঁওৰ লগত আপোনি কিয় কথা কোৱা নাই। লৰাটো বৰ ভাল ডাক্তৰ। বিদেশত চাকুৰী কৰি আছে। হেজাৰ বিচাৰিলেও এনেকুৱা লৰা পোৱা নাযাব। হব পাৰে, সিহঁতৰ পচন্দ হৈ গ'ল। মনোহৰ আৰু সুকন্যা, দুয়োৱে সৰু কালৰ পৰাই দুজনক জানে।" ৰামনাথক চিন্তাত দেখা পাই তেঁওৰ ঘনীয়েক দময়ন্তীয়ে কলে।

ৰামনাথেও চিন্তা কৰে কামটো হলে ভালেই হব। ঘনীয়েকৰ পৰামৰ্শ মতে শ্যামসুন্দৰৰ লগত লগ কৰাৰ বাবে চহৰৰ পিনে যাত্ৰা কৰে। শ্যামসুন্দৰও এদিনাখন সুকন্যাক দেখিবলৈ গাঁওত ৰামনাথৰ ঘৰত আহে। ছোৱালীজনীক ভালেই লাগে তেঁওৰ। কিন্তু চহৰৰ ঘৰত উভতি যোৱাৰ পাছত তেঁওৰ ঘনীয়েকে তেঁওৰ প্ৰশ্ন কৰে, বিয়াৰ পাছত মনোহৰৰ লগত বিদেশত গৈ থাকিব পাৰিব সুকন্যায়। লিখা-পঢ়া জনা চহৰৰ ছোৱালীহে তাৰ প্ৰয়োজন। বিয়াৰ পাছত আকৌ কাজিয়া হব, এড়াএড়ি হৈ যাব তাৰবাবে।

শ্যামসুন্দৰ আৰু তেওঁৰ ঘনীয়েকে বহুতো আলোচনাৰ পাছত ৰামনাথৰ ওচৰত এখন চিঠি লিখি জনায়, লৰায় বিদেশত নিজৰ পছন্দ অনুসৰি বিয়া কৰিব বিচাৰে। বৰং বিয়াৰ বিষয়ে আৰু কথা নহয়।

চিঠি পঢ়ি ৰামনাথৰ মনত বৰ দুখ লাগে। বৰ চিন্তা হৈ থাকে তেঁওৰ। ইয়াৰ মাজত গাঁওৰ মানুহৰ মাজত বিয়পি পৰে যে ৰামনাথৰ ছোৱালীৰ লগত শ্যামসুন্দৰৰ লৰাৰ বিয়া হব। এতিয়া তেঁও গাঁওৰ মানুহক কি কব। মুখ কেনেকৈ দেখুৱাব।

মনোহৰৰ লগত বিয়া হব আৰু তাৰ লগত বিদেশত গৈ থাকিব - এই কথা সুকন্যায় শুনিবলৈ পাই বৰ খুচি হৈছিল। বিয়া নহয় বুলি শুনিবলৈ পাই তাইৰ অন্তৰত বৰ আঘাত লাগে। কিন্তু দেওতাকৰ অৱস্থা দেখা পাই সুকন্যায় তেঁওক কলে, মানা কৰি দিছে। সেয়া নহলে মই তোমালোকক কলো হয় যে এই বিয়া নহব। অলপ উপাৰ্জনৰ বাবে যোনে মাকৰ সমান নিজৰ মাতৃভূমিক এড়ি দিব পাৰে, কালি সি তাৰ মা-দেউতাককও এড়ি দিব পাৰে। চিন্তা কৰিব লগীয়া কি আছে, বৰং এইটো তো আনন্দৰ কথা। ইয়াক ভগবানৰ কৃপা বুলি ধৰি লোৱা উচিত।"

"হয় সুকন্যা, এই আঙুৰ ফল টেঙা?" বুকুৰ ব্যাথা লুকুৱাই হাহি মুখেৰে ৰামনাথে কলে।

৫১. যুদ্ধৰ প্ৰস্তুতি

মহাভাৰত

পাণ্ডৱসৈন্য কুৰুক্ষেত্ৰত উপস্থিত হোৱাৰ পাছত সৈন্য-শিবিৰ বনোৱাৰ বাবে উপযুক্ত ঠাই বাছি লয়। সেই ঠাইত ঘাঁহ, কাঠ আৰু পানীৰ ভাল ব্যৱস্থা আছে। ওচৰতেই আছে ক'ৰবাত শ্মশান, আছে মন্দিৰ আৰু ঋষি সকলৰ আশ্ৰম। অৰ্জুনে আৰু আন বহুতো ৰজাক লগত লৈ শিবিৰ-বনোৱা অঞ্চলটো ঘূৰি চায় ৰথেৰে। ঠায়ে ঠায়ে কেইজনমান কৌৰৱ সেনা বহি আছিল, সিহঁতে গুচি যায়।

ধৃষ্টদ্যুম্ন, সাত্যকী, যুযুধানে শিবিৰ বনোৱাৰ কাম চাই আছিল। হিৰন্মতী নদীৰ পাৰত পাণ্ডৱ সকলৰ শিবিৰ বনোৱা হয়। চাৰিওফালে কৃষ্ণই জলাধাৰৰ দৰে খন্দায়। পাণ্ডৱ আৰু বেলেগ ৰজাসকলৰ বাবে শিবিৰ বনোৱা হয়। সকলো শিবিৰতেই খোৱাবোৱা আৰু পানীৰ ব্যৱস্থা। সৈন্যসকলৰ লগত আছে হেজাৰ শিল্পী আৰু বৈদ্য। কবচ, অস্ত্ৰশস্ত্ৰ, মৌ, ঘি, ধূপ আদিৰ বিশাল ভাণ্ডাৰ কৰা হৈছে। যুধিষ্ঠিৰয়ে প্ৰতিটো শিবিৰ পৰিদৰ্শন কৰে, চাইছে সকলো ব্যৱস্থা ভালদৰে হ'ল নে নহ'ল। শিবিৰ বনোৱাৰ খবৰ পোৱাৰ পাছত মিত্ৰৰজা সকলে লগৰীয়াহতঁক লৈ আহি উপস্থিত হয়।

আনফালে, কৃষ্ণয় হস্তিনাপুৰৰ পৰা যাত্ৰা কৰাৰ পাছতেই কৰ্ণ, শকুনি আৰু দুঃশাসনক মতি দুৰ্যোধনে কলে, "কৃষ্ণৰ আশা, আমাৰ আৰু পাণ্ডৱসকলৰ মাজত যুদ্ধ হওঁক। আমাৰ বিৰুদ্ধে পাণ্ডৱসকলক উচটনি দিছে তেঁও। তোমালোকে যুদ্ধ প্ৰস্তুতি লোৱা, কুৰুক্ষেত্ৰত শিবিৰ বনোৱাৰ ব্যৱস্থা কৰা। যি পথত আমাৰ খোৱাবোৱা পাম, সেই পথ যেন শত্ৰুসকলৰ অধীন নহয়, তাৰবাবে কঠোৰ পহৰাৰ ব্যৱস্থা

করিব লাগিব। শিবিৰত আৱশ্যক বস্তুখিনিৰ লগত অস্ত্ৰশস্ত্ৰও বহুতো ৰাখিব লাগিব। লাখৰ ওপৰত পতাকা আৰু ধ্বজা বনোৱাৰ ব্যৱস্থা কৰিব লাগিব ইয়াতেই। শিবিৰ যি ঠাইত হ'ব সেই ঠাই খন যাতে সমান হয়। কালিৰ পৰা বনোৱাৰ কাম আৰম্ভ কৰি দিয়া।"

কৌৰবসকলৰ শিবিৰ বনোৱাৰ কাম হৈ যায়। কৌৰব সৈন্য সকলে শিবিৰে শিবিৰে গৈ পায়।

কৌৰবসকলক হকুৱাবৰ বাবে সকলো ব্যৱস্থা পূর্ন হোৱাৰ পাছত যুধিষ্ঠিৰে চিন্তাত পৰি যায়। তেঁখেতে কৃষ্ণক কয়, "হে কৃষ্ণ! আমাৰ ইমান চেষ্টা ধৰ্মবিৰুদ্ধ নহয় তো? আমাৰ চিনাকী মানুহ, ভাই, পিতামহ সকলক মাৰি নিজৰ বংশক সৰ্বনাশ কৰিবলৈ গৈ আছো। এই বোৰ কি ধৰ্মৰ অনুকূল? এই নৰহত্যাৰ যজ্ঞত কিমান নিৰ্দোষ মানুহৰ প্ৰান যাব, কিমান নাৰীৰ সৰ্বনাশ হব, কিমান মাকৰ কোলা শূন্য হৈ যাব। এই বিষয়ে ধৰ্মনীতিৰ কি ব্যাখ্যা ?"

কৃষ্ণই তেতিয়া উত্তৰ দিয়ে "আমাৰ ৰাজ্যৰ ভাগ নিদিলে কৌৰবৰ লগত কোনো আপোচ কৰা নহব। এই অৱস্থাত যুদ্ধ অনিবাৰ্য্য। যদি এই যুদ্ধ নহয় তেতীয়া হলে অন্যায়, অধৰ্মৰ বৃদ্ধি পাব। অত্যাচাৰ আৰু পাপ বৃদ্ধি পাব। ধৰ্ম আৰু ন্যায় ৰক্ষাৰ কাৰনেই এই যুদ্ধ। এই যুদ্ধ হবই।"

কৃষ্ণৰ মুখত এই কথা শুনি যুধিষ্ঠিৰে যুদ্ধ ঘোষনা কৰিলে। সৈন্য সকলৰ মাজত উৎসাহ বাঢ়ি যায়।

ভীম আৰু অৰ্জুনক মাতি যুধিষ্ঠিৰে কলে, "বংশৰ বিনাশ ৰক্ষা কৰিবৰ কাৰনে আমি বনবাস, অজ্ঞাত বাস কৰিছো, অসংখ্য যন্ত্ৰনা ভোগ কৰিছো। কিন্তু কৌৰবসকলে আমাৰ এই ভাবনা বংশ ৰক্ষাৰ কাৰনে নীৰৱ প্ৰচেষ্টাক কেতীয়াও সন্মান দিয়া নাই। ইয়াক আমাৰ দুৰ্বলতা বুলি সিহঁতে ধৰি লৈছে। সিহঁতৰ প্ৰতিটো ছল কপটামি আৰু বেয়া ব্যবহাৰক আমি পাহৰিবৰ চেষ্টা কৰি ব্যৰ্থ হৈছো। এনেকুৱা লাগিছে যেন বংশৰ বিনাশ হোৱাৰ সময় আসন্ন। বংশ ৰক্ষাৰ কাৰনে আমাৰ সকলো ধৰনৰ প্ৰয়াস ব্যাৰ্থ হৈছে। বংশৰ বিনাশৰ কাৰনে আমি যি কৰিবলৈ গৈ আছো, সেইবোৰ সফল হোৱাৰ পথত। মই ভাবিব পৰা নাই যে আমাৰ গুৰু আৰু বয়োজেষ্ঠ সকলক বধ কৰি কিদৰে বিজয় লাভ কৰিম।"

"মাতা কুন্তি আৰু বিদুৰে আমাক যিবোৰ হিত কথা কৈছিল, তাতকৈ অধিক আৰু কিবা ধৰ্ম আছেনে? দ্ৰৌপদীৰ অপমানৰ প্ৰতিশোধ লোৱাত কৈ ডাঙৰ ধৰ্ম আৰু কি আছে? আমাৰ পথ প্ৰদৰ্শক কৃষ্ণৰ আদেশ বিনা আৰু

Sankar

কোনো ধৰ্ম আছেনে? অধৰ্ম আৰু অত্যাচাৰ বন্ধ কৰাত কৈ আৰু কোনো ধৰ্ম ডাঙৰ হব পাৰেনে? যুদ্ধ ক্ষেত্ৰত যেতীয়া সৈন্য সকলে মুখা মুখিকৈ থিয় হৈ থাকে তেতীয়া যুদ্ধতকৈ আৰু ডাঙৰ ধৰ্ম কি হব পাৰে ক্ষত্ৰিয় সকলৰ কাৰনে। যুদ্ধ অনিবাৰ্য'' ভীম আৰু অৰ্জুনে একেলগে কথা পাতে। কৃষ্ণই সিহঁতৰ বক্তব্যক সমৰ্থন কৰে।

পিছদিনাখন দুৰ্যোধনে তেওঁলোকৰ পক্ষত যুদ্ধ কৰিবৰ কাৰনে যি এঘাৰ অক্ষৌহিনী সৈন্য আহিছে সিহতৰ সামৰ্থ্য শক্তি অনুসৰি ভাগ কৰিদিয়ে। সকলোতকৈ ভাল যিসকল সিহঁতক প্ৰথমে, মধ্যম শক্তিশালি সৈন্যসকলক মাজত আৰু দুৰ্বল সৈন্যসকলক পাছ ফালে ৰখাৰ ব্যবস্থা কৰে। ভঙা ৰাত বনোৱাৰ কাৰনে কাঠৰ স্তুপ জমা কৰি ৰাখিছে। সকলো ৰথতেই তূনীৰ আৰু বান আছে। বিভিন্ন প্ৰকাৰৰ অস্ত্ৰ, তেল আৰু বেলেগ বস্তু সংগ্ৰহ কৰি ৰখা হৈছে।

এঘাৰ অক্ষৌহিনী সৈন্যৰ কাৰনে এঘাৰজন সেনাপতি নিযুক্ত কৰিছে। তেওঁলোক হ'ল কৃপাচাৰ্য, দ্ৰোন, শল্য, সৈন্ধব, সুদক্ষিন, কৃতবৰ্মা, অশ্বত্থামা, কৰ্ণ, ভুৰিশ্ৰবসু, শকুনি আৰু বাহ্লিক।

সভাগৃহত এঘাৰজন অক্ষৌহিনী নেতাক নিযুক্ত কৰি দুৰ্যোধনৰ ভীষ্মৰ ওচৰত আহি হাতযোৰ কৰি নমস্কাৰ জনাই কলে, "মহাত্মন, ডাঙৰ সৈন্যবাহিনী হওক বা নহওক, যোগ্য সেনাপতিৰ অভাব আমাৰ নহয়। বিভিন্ন সেনাপতি সকলৰ মাজত প্ৰতিযোগিতা হব। কিন্তু মৈত্ৰী নহব। প্ৰাচীন কালত ব্ৰাহ্মন, বৈশ্য আৰু শুদ্ৰই একেলগ হৈ হৈহয় সকলৰ বিৰুদ্ধে যুক্তকৰিছিল। সেই যুদ্ধত হৈহয় সকলৰ বিজয় হয়। ইয়াৰ কাৰন হৈহয় সকলৰ আছিল এজন সমৰ্থক সুযোগ্য নেতা। কিন্তু আন তিনি বৰনৰ সেনা বিলাকৰ বহুতো নেতা আছিল। এই ৰহস্যক বুজি লৈ ব্ৰাহ্মন সকলে তেতীয়া এজন সমৰ্থক ব্যক্তিৰ ওপৰত নেতৃত্ব প্ৰদান কৰি হৈহয় সকলৰ ওপৰত বিজয় লাভ কৰে। নিতী শাস্ত্ৰত আপোনি শূখৰ সমতুল্য। আমাৰ হিতৈষী আপোনি, ধৰ্মাত্মা আৰু অজেয় সেই কাৰনে আপোনি আমাৰ সকলো সেনাবাহিনীৰ প্ৰধান অধিপতি। ইন্দ্ৰই যিদৰে দেবতা সকলক ৰক্ষা কৰে, আপোনিও আমাক সেইদৰে ৰক্ষা কৰক।"

দুৰ্যোধনৰ সেনাবাহিনীৰ সেনাধিপতিৰ পদ গ্ৰহন ভীষ্ময় সম্মত হয় কিন্তু দুটা চৰ্তত। "প্ৰথম পাণ্ডৱ সকলৰ কোনো এজনকে মই বধ নকৰো। আৰু দ্বিতীয়তে কৰ্ণ যেতীয়া লৈকে যুদ্ধ ক্ষেত্ৰত থাকিব মই যুদ্ধ নকৰো, কাৰন কৰ্ণই মোক হিংসা কৰে। সেয়ে হয় সি যুদ্ধক্ষেত্ৰত প্ৰথমে যাব নহলে মই যাম।"

ভীষ্মৰ মুখত এই কথা শুনি দুৰ্যোধনক আশ্বাস দি কৰ্ণই কলে, "ৰাজন, ভীষ্ম জিয়াই থকা লৈকে মই যুদ্ধক্ষেত্ৰত ভৰি নিদিও।"

ইয়াৰ পাছত শাস্ত্ৰ বিধি অনুসৰি ভীষ্মক সেনাপতি হিসাপে অভিষেক কৰা হল। তাৰ পাছত তেওঁৰ সৈতে আন আন ভাই আৰু সৈন্য সকলক লৈ দুৰ্যোধনে কুৰুক্ষেত্ৰৰ ফালে যাত্ৰা কৰে।

বলৰামে শুনিলে যুদ্ধ আৰম্ভ হব ধৰিছে। সেইকাৰনে কেইজনমান যাদব বীৰ লগত লৈ পাণ্ডৱ সকলৰ শিবিৰত আহিল। সকলো ৰজা, পাণ্ডৱ সকল আৰু কৃষ্ণই থিয়হৈ উঠি তেওঁক স্বাগত সন্মান জনালে। বিৰাট, দ্ৰুপদ প্ৰমুখ ৰজাসকলক বলৰামে প্ৰতি নমস্কাৰ জনালে। তাৰ পিছত আসন গ্ৰহন কৰি কলে, "সোনকলে মহা ভয়ঙ্কৰ যুদ্ধ হোৱাৰ পথত। প্ৰজাসকলৰ বিনাশ হোৱাৰ পথত ইয়াৰ পৰা ৰক্ষা পোৱাৰ কোনো উপায় নাই। মই বিচাৰিছো আপোনালোকে প্ৰাণলৈ বিকলাঙ্গ নোহোৱাকে যুদ্ধ ক্ষেত্ৰৰ পৰা উভতি আহক। পাণ্ডৱ সকল যিদৰে মোৰ আত্মীয়, সেই দৰে কৌৰৱ সকলেও কৃষ্ণক কেবাবাৰো কৈছো দুইপক্ষকেই সমানে চাবলৈ। কিন্তু অৰ্জুনক তেওঁ প্ৰনতকৈও বেছি ভাল পায়। সেই কাৰনে তেওঁ মোৰ কথা নুশুনে। ভীম আৰু দুৰ্যোধন দুয়োৱে মোৰ শিষ্য। দুয়োৱেই মোৰ ওচৰত যুদ্ধৰ প্ৰশিক্ষন লৈছে। এই যুদ্ধত কৃষ্ণৰ সহায়ত পাণ্ডৱ সকলে অৱশ্যেই জয়ী হব। কিন্তু কৌৰৱ সকলৰ বিনাশ মই দেখী সহিব নোৱাৰিম। সেয়ে মই সৰস্বতী নদীৰ পাৰত অৱস্থিত তীৰ্থস্থান বিলাক দৰ্শন কৰিবৰ কাৰনে গৈ আছো।"

বলৰাম গুচি যায়। সেই সময়ত ৰুক্মিনীৰ ভায়েক ৰুক্মিয়ে এক অক্ষৌহিনী সৈন্য লৈ

পাণ্ডৱ সকলৰ ওচৰত আহিল। যুধীষ্টিৰৰ ওচৰত যথাযোগ্য আলহি সৎকাৰ আৰু সন্মান পোৱাৰ পিছত তেওঁ পৰিপুৰ্ন সভাগৃহত অৰ্জুনক কলে, "অৰ্জুন, এই যুদ্ধত তুমি মোৰ সহায় পাবলৈ বিচৰা নে নাই স্পষ্ট কোৱা। তুমাৰ শত্ৰু বোৰক মই নাশ কৰিম। মোৰ পৰাক্ৰমৰ ওচৰত কোনেও ঠিকে থাকিব নোৱাৰে। ইয়াত উপস্থিত থকা ৰজাসকলে লৰচৰ কৰিবৰ প্ৰয়োজন নহয়। কৃপাচাৰ্য দ্ৰোনাচাৰ্য বধকৰি তোমাৰ ৰাজ্য তোমাক ঘুৰাই দিম।"

ইয়াৰ উত্তৰত অৰ্জুনে হাহি মাৰি কলে, "হে বীৰবৰ যুদ্ধৰ নামত মোৰ ভীত হৈপৰাৰ কোনো প্ৰশ্নই নুঠে। মই কাৰো সহায় নোহোৱাকে গন্ধৰ্ব সকলৰ হাতৰ পৰা দুৰ্যোধনক ৰক্ষা কৰিছিলো। খাণ্ডৱ বনক জুঁইত পুৰি দিছিলো। কৌৰৱ সেনা সকলৰ ওচৰৰ পৰা বিৰাট ৰজাৰ গভিকুল মুক্ত

কৰি আনিছিলো। তুমি যদি সহায় কৰিব বিচাৰিছা তেতিয়া হলে আন কাৰোবাক কৰা নহলে আমাৰ লগত থাকি চোৱা আমি কিদৰে যুদ্ধ কৰো।

ৰুক্মিয়ে তেওঁৰ বিশাল বাহিনী লৈ দুৰ্যোধনৰ ওচৰত গৈ একেদৰেই আত্মপ্ৰসংশা কৰে। দুৰ্যোধনেও ৰুক্মিৰৰ কোনো ধৰনৰ সহায় লবলৈ অসম্মত হয়। তেতীয়া ৰুক্মিয়ে তেওঁৰ সেনা বাহিনী লৈ স্বদেশলৈ উভতি যায়। এইদৰে বলৰাম আৰু ৰুক্মিয়ে কুৰুক্ষেত্ৰ যুদ্ধত যোগ নিদিয়াকৈ থাকে। বাকী সকলো ৰজাই কোনোৱা নহয় কোনোৱায় পক্ষত যোগ দি যুদ্ধ কৰিছে।

ইফালে হিৰন্ম নদীৰ পাৰত বনোৱা শিবিৰত বাস কৰি ফকা পাণ্ডৱৰ ওচৰলৈ দুৰ্যোজনে শকুনীৰ পুত্ৰ উলুকক তেওঁৰ ব্যাক্তিগত দূত হিসাপে পঠিয়াই। যুধিষ্ঠিৰ, কৃষ্ণ, ভীম, অৰ্জুন আৰু নকুল সহদেবৰ ওচৰত দম্ভ অহংকাৰেৰে পূৰ্ন এটা সংবাদ পঠিয়ায় উলুকাৰ হাতত।

"যুধিষ্ঠিৰ, ৰুদ্ৰাক্ষ ধাৰন কৰি তুমি এটা মেকুৰীৰ সমান। তোমাৰ জপ বিলাপ বোৰ গালি। সকলোকে মূৰ্খ বনোৱাৰ কাৰনে তুমি বেদ ৰু সহনশীলতা আয়ত্ব কৰিছা। এতিয়াও ক্ষত্ৰিয় ধৰ্ম অনুসৰন কৰি যুদ্ধ কৰা। অকল পাঁচখন গাও মোৰ পৰা বিচাৰিছা কিন্তু মই অস্বিকাৰ কৰি তুমা লোকক যুদ্ধৰ কাৰনে আগোৱাই দিছো, তুমালোকে যুদ্ধ কৰা।

"হে কৃষ্ণ যাদু কৰি তুমি সভাত এটা বিচিত্ৰ ৰূপ দেখুৱাই ছা। সেই ৰূপতে তুমি যুদ্ধক্ষেত্ৰলৈ মোৰ সম্মুখত আহা। যুজাৰু বোৰে সেই ৰূপ দেখি ভয় নেকাব, খংখাই উঠিব। তুমি কথা দিছা যে যুদ্ধত পাণ্ডৱ সকলৰ জয়ীকৰাই তেওঁলোকৰ ৰাজ্য উভতাই আনিবা। তুমাৰ এই প্ৰতিশ্ৰুতি তুমি পালন কৰা।

"ভীম, তুমি পেটুৱা, যুদ্ধ কৰিবৰ বাবে অযোগ্য। মই মোৰ প্ৰতাপৰ বলত তোমাক ৰজা বিৰাটৰ পাচক বনাই ছিলো। প্ৰতিজ্ঞা কৰিছিলা যে ধৃতৰাষ্ট্ৰৰ পুত্ৰ সকলক যুদ্ধক্ষেত্ৰত পৰাজিত কৰিবা। সেই প্ৰতিজ্ঞা তুমি পালন কৰা।

এইদৰে অৰ্জুন নকুল, সহদেব আৰু ধৃষ্টদ্যুম্নকেও সংবাদ পঠিয়াই। উলুকে পাণ্ডৱ সকলৰ শিবিৰত সেইবোৰ পঢ়ি শুনোৱাই। দুৰ্যোধনে পঠিওৱা সংবাদ শুনি সকলোয়ে খংখাই উঠিল। সিহতে উলুকক কলে, "তুমি উভতি গৈ দুৰ্যোধনক কৰা, আমি যুদ্ধৰ কাৰনে হাঁহাকাৰ কৰি আছো। সেই ইচ্ছা অৱশ্যে পূৰ্ন হব।"

উলুকক উভতাই পঠিওৱাৰ পিছত যুধিষ্ঠিৰ আৰু ধৃষ্টদ্যুম্নই নিজৰ নিজৰ বাহিনীলৈ

যুদ্ধক্ষেত্ৰত উপস্থিত হ'ল। তাত উপস্থিত হৈ ধৃষ্টদ্যুম্নই তেওঁৰ বীৰ সেনা সকলক নিৰ্দিষ্ট কৰি দিলে কোন কৌৰৱবীৰৰ বিৰুদ্ধে কোন ঠিয়া হ'ব লাগিব - কৰ্ণৰ বিৰুদ্ধে অৰ্জুন, দুৰ্যোধনৰ বিৰুদ্ধে ভীম, শল্যৰ বিৰুদ্ধে ধৃষ্টকেতু, কৃপাচাৰ্য্যৰ বিৰুদ্ধে উত্তমৌজা, অশ্বথামাৰ বিৰুদ্ধে নকুল, কৃতবৰ্মাৰ বিৰুদ্ধে শৈব্য, সৈন্ধবৰ বিৰুদ্ধে যুযুধান, ভীষ্মৰ বিৰুদ্ধে শিখণ্ডী, শকুনিৰ বিৰুদ্ধে সহদেব, বৃষসেনৰ বিৰুদ্ধে অভিমন্যু, ত্ৰিগৰ্ত ৰজা সকলৰ বিৰুদ্ধে উপপাণ্ডৱ আৰু দ্ৰোনাচাৰ্য্যৰ বিৰুদ্ধে স্বয়ং প্ৰস্তুত হয়।

এইদৰে কৌৰৱ সেনা বাহিনীৰ যোদ্ধা সকলৰ বিৰুদ্ধে নিজৰ সেনাই কিদৰে প্ৰতিৰোধ কৰিব তাক স্থিৰ কৰি ধৃষ্টদ্যুম্নই পাণ্ডৱ সেনা সকলক লৈ ব্যূহ ৰচনা কৰিলে। এই বিষয়ে অৰ্জুনৰ তুলনাত অভিমন্যুই বেসি প্ৰতিভাবান যোদ্ধা আছিল।

আন ফালে কৌৰৱ বাহিনীৰ সেনাধিপতি ভীষ্মই দুৰ্যোধনৰ চাহিদা অনুসৰি দুয়োপক্ষৰ মহাবীৰ যোদ্ধা সকলক শ্ৰেনী বিভাজন কৰিলে।

কৌৰৱ সেনানায়ক সকলৰ ভিতৰত কৃতবৰ্মা, শৈল, সৈন্ধৱ, কৃপাচাৰ্য, অশ্বত্তামা, দ্ৰোন, বাহ্লিক আৰু আন কেবাজনো উত্তম কোটিৰ বীৰ আৰু অতিৰথি আছিল। অশ্বত্তামাৰ নিজৰ জীৱনৰ প্ৰতি বৰ দয়া আছিল, সেয়া নোহোৱাহলে তেওঁৰ সমান বীৰ দুয়োপক্ষৰ মাজত দ্বিতীয় কোনো হ'ব নোৱাৰিলে হেতেন। বৃষ সেন আৰু অলম্বুস নামেৰে দুজন ৰাক্ষস মহাৰথী আছিল। সুদক্ষিন নীল, শকুনি, বিন্দ, অনুবিন্ধ আদিও একৰাথী বীৰ আছিল। কৰ্ণই তেওঁৰ নিজৰ কবচকুণ্ডল হেৰুৱাই ছে আৰু অভিশাপ গ্ৰস্ত হৈ আছে, সেই কাৰনে তেওঁক ৰথী হিচাপে গন্য কৰা ঠিক নহ'ব। সেয়ে তেওঁ অৰ্ধৰতী।

পাণ্ডৱ সেনা সকলৰ ভিতৰত পাচ পাণ্ডৱ অতি ৰথী। সিহতৰ ভিতৰত অৰ্জুন অসমান যুদ্ধা, তেওঁৰ সমান যোদ্ধা দুয়ো পক্ষতে নাই। তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিব পাৰে এক মাত্ৰ ভীষ্ম আৰু দ্ৰোনাচাৰ্যই, কিন্তু দুয়োজনেই বয়সত বুঢ়া অভিমন্যু, শাত্তকি, উত্তমৌজা, যুধামন্যু, শিখণ্ডী, ধৃষ্টদ্যুম্ন, তেওৰ ভায়েক শত্যজীত, ঘটোৎকচ এওলোক সকলোয়ে অতিৰথী। পাঁচজন উপপাণ্ডৱ মহাৰথী হিচাপে স্বীকৃত। সেইদৰে বিৰাট, দ্ৰুপদ, শিশুপালৰ পুত্ৰ ধৃষ্টকেতু সকলেও মহাৰথী।

(ক্ৰমশ)

কথা-কোৱা ডেক্‌চি

শিবৰামে গাঁৱত থকা ঘৰঘনত থাকে। মাটিৰে পুতলা বনায়, বৰ ধুনীয়া। পুতলা বনোৱাত ওস্তাদ। চৰাই, পশু, মানুহ, দেব-দেবীৰ মূৰ্তি আদি বনায়। ইমান ধুনীয়া আৰু নিখুঁত কৈ বনায় যে দেখিলে যেন লাগে এতিয়াই কথা কব। উৎসৱৰ সময়ত সেইবোৰ পুতলা লৈ যায় বেচিবলৈ। বিজয়া দশমী অথবা দশৰালৈ আৰু দুই মাহ আছে। তাৰবাবে তেঁও বহুতো পুতলা বনাইছে ইয়াৰ মাজত, ধুনীয়া ৰঙ কৰিছে। উৎসব আহিলে তেঁও থলিত লৈ গাঁৱত গৈ সেইবোৰ বেঁচে।

এবাৰ শিবৰামে এখন গাঁৱৰ পৰা আন এখন গাঁৱলৈ গৈ আছিল, সন্ধিয়া হৈ গৈ আছিল, এন্ধাৰ বেছি হৈ আহে। এনেকুৱা এখন জেগাত শিবৰাম আছিল যে, তাত নাছিল কোনো গাঁও, নাছিল কোনো মানুহৰ ঘৰ। এন্ধাৰত গৈ থাকে। হঠাৎ দূৰত এটা প্ৰদীপৰ পোহৰ দেখিবলৈ পাই তেঁওৰ দেহত প্ৰাণ ঘুৰি আহে।

এটা ঘৰত প্ৰদীপ জ্বলি আছিল। শিবৰামে ঘৰৰ ওচৰত আহিলত তাত এজন বুঢ়া মানুহক দেখিবলৈ পাই কলে, "দেউতা, মই বহু দূৰৰ পৰা আহিছো। ৰাস্তাত বৰ এন্ধাৰ। ৰাতিপুৱালৈকে ইয়াত মই থাকিব পাৰিমনে?"

"এইটোনো কি কথা আৰু? সেই থলিখন তাত থৈ ইয়াত আহি বহা। কথা পাতি পাতি মোৰ সময়ও পাৰ হৈ যাব। মই ৰান্ধি আছো, দুয়োৱে একেলগে খাম।"

শিবৰামে বৰ খুচি হয়। বৃদ্ধজনক ভাল মানুহ বুলিই যেন লাগিছে। বাটত কোনো

গছৰ তলত লেঁতেৰাৰ মাজত শোৱাৰ পৰা বাঁচি যায়। সেয়াই নহয়, বুঢ়ামানুহ জনৰ দয়াত খোৱা বস্তুও পাই আছে। মনে মনে বুঢ়া মানুহ জনৰ বৰ প্ৰশংসা কৰি আছিল।

বুঢ়া মানুহজনে পাক ঘৰত যায়, সোনকালে উভতি আহে। "মই খোৱা বহাই থৈ আহিছো, সোনকালে হৈ যাব। কেইটামান গান শুনোৱা।" শিবৰামৰ ওচৰত বহি বুঢ়া মানুহজনে কলে।

"মই গান নাজানো," শিবৰামে কলে।

"আৰে ..... গান নাজানা? তেতিয়াহলে এটা সাধু শুনোৱা।"

"দেউতা, মই সাধুও নাজানো।"

বুঢ়া মানুহজনে খংখাই ওঠি কলে, "গান গাব নাজানা, সাধু কব নাজানা .... অলপ সময়ৰ বাবেও তোমাক ইয়াত থাকিবলৈ নিদিও। যোৱা ওলাই যোৱা।"

শিবৰামে আচৰিত হৈ যায়। বৃদ্ধৰ ব্যৱহাৰ তেঁওৰ বৰ অদ্ভুত লাগে। চিন্তা কৰি থাকে, অলপ সময়ৰ আগত তাক ইমান ভাল লাগিছিল, আৰু এতিয়া যেন এটা শিয়ান। ভাগ্যৰ কথা চিন্তা কৰি বেয়া লাগে। যদি গান জানিলো হয়, সাধু জানিলো হয়, তেতিয়াহলে এনেকুৱা অৱস্থা নহল হয়। এতিয়া কি কৰিম? পুতলাৰ থলি খন লৈ ঘৰটোৰ পৰা ওলাই যায়। যেন লাগে, বুঢ়া মানুহজনে হয়তো মাতিব, কিন্তু নেমাতে।

বৰ বেচি আগবাঢ়ি যাবলৈ নিবিচাৰে

শিবৰামে, কাৰন এন্ধাৰত পথ হেৰুৱাৰ ভয় আছে, তাৰবাবে যি পথেৰে আহিছে সেই পথেৰে গৈ আগৰ গাঁৱৰ কৰবাত ৰাতিটো কটোৱাৰ কথা ভাবে। থলিখন মূৰত লৈ আগৰ পথেৰে গৈ থাকে। অলপ দূৰ গৈ দেখিবলৈ পায় ৰাস্তাৰ কাষত কোনোৱায় চৌকাৰ ওপৰত কিবা ৰাখি আছে। এন্ধাৰত কোনে ৰাখিছে তেঁওক ভালদৰে ধৰিব পৰা নাই।

"কি, তুমি শিবৰাম নহয়নে? এই হেঁতাৰে অলপ লৰোওৱা, এতিয়াই মই আহি আছো।" সেই মানুহজনে কলে।

"কোন মানুহজন? তাক কেনেকৈ জানিব পাৰিলে শিবৰামে বুজিব পৰা নাই,

হেঁতাটো লৈ তেঁও ডেকঁচিৰ ভিতৰটো লৰাই থাকে। ডেক্‌চিৰ ভিতৰত কি আছে, কোনে জানে। ডেক্‌চিটো ভৰ্তি, কিন্তু সেই মানুহজনৰ বাহিৰে খোৱাৰ বাবে আন কোনো নাই। শিবৰামে মনে মনে ভাবে, সি নিশ্চয়েই খোৱাৰ ভাগ পাব।

হেঁতাটো শিবৰামৰ হাতত দি মানুহজন গুচি গ'ল, বহুসময় পাৰ হৈ যোৱাৰ পাছতো তেঁও উভতি অহানাই। " আৰে.....হেৰি ককাই ...." শিবৰামে মাত দিয়ে, কিন্তু কোনো উত্তৰ নাহে।

"কি? ইফালে সিফালে কি চাইছা ? হেঁতাটো ভাল দৰে লৰোৱা নাই কিয়?" চৌকাত বহুৱা ডেক্‌চিটোয়ে কলে।

শিবৰামে ভয় খালে। হেঁতাটো তলত এৰি থৈ তেঁও থিয় হয়। তেঁওৰ এনে যেন লাগিছে, তেঁওক ভূতে ধৰিছে।

"ইমান অহংকাৰী ?" এই বুলি কৈ হেঁতাটো মাটিৰ পৰা শূন্যত উঠি তেঁওৰ মূৰত জোৰৰে মাৰিবলৈ ধৰে।

শিবৰামে আৰু ভয় খাই যায়। পুতলা ভৰ্তি থলিখনৰ কথা পাহৰি মূৰত হাত ৰাখি দৌৰি পলাবলৈ আৰম্ভ কৰে। হেঁতাখন তেঁওৰ পিছে পিছে সমান বেগত গৈ থাকে আৰু তেঁওৰ পিঠিত মাৰি থাকে।

ভাগ্য ভাল যে পথত এটা ঘৰ দেখিবলৈ পায়, ঘৰটোৰ দৰজাখনো মেল খুৱা আছিল। ভিতৰত সুমাই দৰজাখন বন্ধ কৰি পিছফালে চায়। আৰে, এয়া তো সেই বুঢ়া মানুহ জনৰ ঘৰ।

"কি হ'ল? কিয় ইমান ভয় কৰিছা?" বুঢ়া মানুহজনে সুধিলে।

যি ঘটিছে বুঢ়ামানুহজনক শিবৰামে সকলো কলে। বুঢ়া মানুহজন যেন বৰ খুচি হয়। "আগত যদি এইকথাখিনি কলাহয় তেতিয়াহলে তোমাক বাহিৰত নপঠালো হয়। বন্ধা হৈ গ'ল .... আহা, খাও বলা।" বুঢ়া মানুহজনে ক'লে।



কাঠৰ প্ৰদীপ

জনাৰ্দন স্বামীৰ মন্দিৰৰ পুৰোহিত উপাধ্যায়। বিষ্ণু-প্ৰশস্তিয়ে মন্ত্ৰ পাঠ কৰে। দেৱতাৰ পূজাৰ বাবে বিশেষ ভোগ নিজে বনায়। তাৰবাবে ৰান্ধাঘৰত গৈ চৌকা জ্বলায়। জুই জলোৱাৰ বাবে পুৰনি কাঠৰ পৰিবৰ্তে শমীবৃক্ষৰ কাঠ জ্বলায়।

উপাধ্যায় আছিল প্ৰৌঢ় ব্ৰহ্মচাৰী। দেৱস্থানৰ ধৰ্মশালাত থাকে, তাত ভোজন কৰে।

তেঁওৰ লগত বাৰ বছৰৰ এজন অনাথ লৰা থাকে। উপাধ্যায়ৰ সকলো কামত লৰটোৱে সাহায্য কৰে, আৰু সময় পালে তেঁওৰ ওচৰত বেদমন্ত্ৰ শিখে।

এবাৰ উপাধ্যায় অসুস্থ হৈ পৰে। তেঁওক চিকিৎসা কৰাৰ বাবে এজন বৈদ্যক মাতি অনা হয়। উপাধ্যায়ৰ নাড়ী পৰীক্ষা কৰি বৈদ্যয় কলে, "এনেকুৱা বিশেষ একো নহয়। দুদিনৰ বিশ্ৰামত আপোনি সুস্থ হৈ উঠিব। মূৰত যাতে পানী নপৰে, তাৰবাবে সাবধানত থাকিব।" পাছত আকৌ আহিম। বৈদ্যয় যোৱাৰ বাবে ভৰি আগবঢ়ায়।

তেতিয়া উপাধ্যায়ে হাঁহি হাঁহি, কলে, "বৈদ্য আৰু ঋনদাতাৰ পক্ষত 'আকৌ আহিম' কোৱা ঠিক নহয়, 'গৈ আছো' কৈ প্ৰস্থান কৰা উচিত।"

উপাধ্যায়ৰ এই মন্তব্য বৈদ্যৰ ভাল নেলাগে। তেওঁৰ অহংকাৰত যেন আঘাত লাগে, অপমান বোধ কৰে। তেঁওও হাঁহি হাঁহি কলে, "সকলোৰ শুভ-অশুভ বুলি জেঠি তেঁও নিজেই আজি জাবনাৰ মাজত গৈ পৰিছে। সকলোৰে ৰক্ষাকাৰী জনাৰ্দন স্বামীৰ পূজাৰী আপোনি। আপোনি তেতিয়াহলে তেঁওক কিয় মাতি অনা নাই। 'আকৌ আহিম' কথাটো মোক আৰু কব নালাগে।"

বৈদ্যৰ কথাত দুখ লাগে উপাধ্যায়ৰ, "ভগবান সৰ্বব্যাপী। তেখেতে অকল মন্দিৰত অবস্থান কৰে এইটো ভুল। আমাৰ বিশ্বাস, তেঁওৰ উপস্থিতি সকলো ঠাইত। তাৰবাবে

নৰহৰী শাস্ত্ৰী



আমি আমাৰ সুবিধাৰ বাবে কোনো এটা নিৰ্দিষ্ট ঠাইত তেওঁৰ উপস্থিতিৰ আকাৰ দি আছো, যাতে সেই নিৰ্দিষ্ট ঠাইত গৈ আমাৰ সুখ-দুখ আৰু পাপ-পুন্যৰ কথা কব পাৰো। তাতে আমাৰ মনত শান্তি আহে। যোনে বেচি বিশ্বাস কৰে তাক যিকোনো ৰূপত যিকোনো ঠাইত সাহায্য কৰে।"

উপাধ্যায়ৰ এই উপদেশ বৈদ্যৰ ভাল নালাগে। অহংকাৰৰ আঘাত এতিয়াও আছে। তাৰবাবে আকৌ কলে, "আপোনাৰ বেদান্ত শুনিবলৈ ভালেই লাগিছে, কিন্তু বাস্তবত ইয়াৰ মূল্য নাই। তাতে আপোনি খাবলৈ নাপাব, মোৰও নহয়। গৈ-আছো এতিয়া।"

এই বুলি কৈ পিছফালে ঘুৰি সোনকালে ভৰি আগবঢ়োৱাৰ লগে লগে মন্দিৰৰ এখন স্তম্ভত জোৰে ধাক্কা লাগে, মাটিত বাগৰি পৰে, অজ্ঞান হৈ যায়। জাবনাত জেঠী পৰাৰ কথা যোনে কৈছে তেঁওৰ সেই অৱস্থা হয়। তেতিয়া উপাধ্যায়ে লৰাটোৰ সহায়তাত বৈদ্যৰ সেবা - শুশ্ৰুষা কৰে, বৈদ্যৰ জ্ঞান ঘুৰি আহে।

জ্ঞান পোৱাৰ পাছত বৈদ্যয় কলে, "উপাধ্যায় মহাশয়, এনে লাগিছে প্ৰতিটো কামৰ পিছত কোনো কাৰন নিশ্চয়ই থাকে। এতিয়া মোৰ উপলব্ধি হ'ল, সোনৰ পৰিস্কাৰ কৰা প্ৰয়োজন। বৈদ্য হৈও আপোনাৰ চিকিৎসা মই কৰিব নোৱাৰিলো। কিন্তু ইয়াৰ অৰ্থ নহয় যে আয়ুৰ্বেদ চিকিৎসা অনুপযোগী।"

এই ঘটনাৰ পাছত আৰু উপাধ্যায়ৰ নাম হয়। সকলোৱে কৈ থাকে উপাধ্যায়জীৰ মাহাত্ম্য বহুতো। কাঠৰ প্ৰদীপৰ পৰা জুই জলোৱা তেঁওৰ পক্ষেই সম্ভব। কোনোৱায় যদি তেঁওৰ অনাদৰ কৰে জনাৰ্দন স্বামীয়ে তেঁওক দণ্ড দিয়ে।

এইবোৰ কথা উপাধ্যায়ৰ কানত যায়। তেঁওৰ মনত অহংকাৰ হৈ থাকে। নিজক সঁচাকৈ মহান বুলি ভাবিবলৈ আৰম্ভ কৰে।

ইয়াৰ মাজত এদিনাখন বৰ ঝড়-তুফানত দেৱালৰ ধ্বজ স্তম্ভ ভাঙি পৰে। গাঁওৰ মানুহে চাঁন্দা দি অৰ্থ সংগ্ৰহ কৰে ধ্বজ-স্তম্ভ আকৌ বনোৱাৰ বাবে এটা শুভমুহূৰ্তও নিৰ্দিষ্ট কৰে। দহটা দিন যেন মুহূৰ্তৰ মাজত পাৰ হৈ যায়। উপাধ্যায়ৰ ওচৰত সংবাদ আহে যে দূৰৰ এটা গাঁওত তেঁওৰ চিনাকী কোনোবায় মৰিছে। সেই মানুহজনৰ কোনো নাই, তাৰবাবে দেহ-

সংস্কাৰ কৰাৰ দায়িত্ব উপাধ্যায়ৰ ওপৰত আহি পৰে।

দশম দিনত ধ্বজ-স্তম্ভৰ পুন প্ৰতিষ্ঠা, তাত কাঠৰ প্ৰদীপ জ্বলাব উপাধ্যায়ে। আকৌ সেইদিনা খনেই তেঁওৰ মৰা আত্মীয়ৰ শ্ৰাদ্ধ-শান্তি কৰাৰ দিন।

উপাধ্যায়ে লৰাটোক লৈ আগতেই গুচি গৈছিলে মানুহজনৰ ঘৰত, দাহ-সংস্কাৰ কাম সম্পন্ন কৰে, দশম দিনত শ্ৰাদ্ধাদি কৰ্ম সম্বন্ধে অনুষ্ঠানৰ কাম লৰাটোক বুজাই দি দেৱমন্দিৰত উভতি আহে। লৰাটোও উপাধ্যায়ৰ ওচৰত সকলো বুজি লৈ কলে, ইঘাৰ দিনৰ দিনা শ্ৰাদ্ধানুষ্ঠান সম্পূৰ্ন কৰি পাছৰ দিনা উপাধ্যায়ৰ ওচৰত উভতি আহিব।

সেইদিনাখন মাজৰাতিত ধ্বজ-স্তম্ভ প্ৰতিষ্ঠাৰ ভাল সময়। সকলো গাঁওত উৎসবৰ আৱহাওয়া। ঋত্বিকসকলে যজ্ঞ-কুণ্ড বনোৱা সম্পূৰ্ন কৰিছে। কাঠৰ প্ৰদীপ জ্বলাই মন্ত্ৰ পাঠ কৰাৰ লগে লগে যজ্ঞ কুণ্ড জ্বলোৱা হব।

উপাধ্যায়ে নিজৰ হাতত কাঠৰ প্ৰদীপ লৈ কলে, "স্থল পুৰানত কোৱা হৈছে যে ত্ৰেতাযুগত নাৰদে ইয়াৰ প্ৰতিষ্ঠা কৰিছে। চাওক, তেখেতে, তেঁওৰ বীনাত ঝংকাৰ দি আজিও ইয়াত আহি উপস্থিত হৈছে। মই যেতিয়া অগ্নি দেবক আহ্বান কৰিম তেতিয়া ঋত্বিকসকলৰ মন্ত্ৰপাঠৰ লগত দেবতাও প্ৰত্যক্ষ হব।" এই বুলি কৈ তেঁও প্ৰদীপটো ঘহি থাকে।

এনেদৰে আনদিনাখন অতি সহজতে প্ৰদীপত জুই জ্বলি ওঠে। কিন্তু সেইদিনাখন বহু চেষ্টা কৰাৰ পাছতও প্ৰদীপ নজ্বলে। শেষত



ক্লান্ত আৰু নিৰাশ হৈ তাৰ পৰা গুচি যায়।

ইয়াৰ পাছত তাত উপস্থিত থকা আন বেদজ্ঞ পণ্ডিত সকলে চেষ্টা কৰে, কিন্তু সিহঁতেও ব্যৰ্থ হয়। গাৱত যোনে পুন্যাত্মা বুলি পৰিচিত সিহতেও আগত অকলে কৰিছে, কিন্তু সেইদিনাখন সকলোয়ে ব্যৰ্থ।

উপাধ্যায়ৰ দুচকোত পানী আহে। তেঁওৰ অন্তৰ এটা বেদনাত পূৰ্ন হৈ ওঠে। তেঁওৰ অন্তৰাত্মা যেন চীঞৰি কৈ ওঠে। "হে প্ৰভু মোক কি আপোনি পাহৰি গৈছে? মোক ক্ষমা কৰক। আপোনাৰ সেবকক আজিৰ এই ঘোৰ অপমানৰ হাতৰ পৰা বচাঁওক, হে ভগবান।"

সেই সময়ত লৰাটোৱে তেঁওৰ ওচৰত উপস্থিত হৈ প্ৰাৰ্থনা কৰে, "গুৰুবৰ, মই এবাৰ চেষ্টা কৰিম?"

"তুমি মোৰ মৰা আত্মীয়ৰ শ্ৰদ্ধাদি কাম কৰিছা, এবছৰ যজ্ঞানুষ্ঠান কামত অংশা লব নোৱাৰিবা।" উপাধ্যায়ে এই বুলি কাঠৰ প্ৰদীপ জ্বলাবলৈ নিষেধ কৰে বালকক।

তেতিয়া এজন বেদজ্ঞ পণ্ডিতে কলে, "বালকজনে নিষ্ঠাবান ব্ৰাহ্মনৰ কাম কৰিছে। মৰা মানুহৰ সংস্কাৰ কৰাটো এটা যজ্ঞ। তাতে ইয়াৰ পুন্য বৃদ্ধি পাইছে।"

বেদজ্ঞৰ কথাত উপাধ্যায়ে কলে, "সচাঁকৈ, মই পাহৰি গৈছিলো যে মানব সেবাই ভগবানৰ সেবা কৰা। প্ৰেত-সংস্কাৰ কৰ্ম কোটি যজ্ঞৰ সমান। ধন্য এই লৰাটো। মোৰ গৰ্ব আছিল যে একমাত্ৰ মইই কাঠৰ প্ৰদীপ জ্বলাব পাৰো। দেবতায় মোক দয়া কৰিছে। এই লৰাটো নিশ্চয়ই প্ৰদীপ জ্বলাব পাৰে।"

লৰাটো প্ৰথমে গুৰু উপাধ্যায়ক প্ৰনাম কৰি অগ্নিদেৱক আহ্বান কৰি কলে,

"মই সদায় গুৰুৰ আদেশ পালন কৰো। গুৰু দেৱতাৰ সমান। যদি এই কথা সচা হয় তেতিয়াহলে প্ৰদীপ জ্বলি ওঠা।" এইবোৰ কৈ দীপটোক ঘৰ্ষন কৰে হাতৰ তালুত। জুই জ্বলি ওঠে। উপস্থিত থকা মানুহে, বেদজ্ঞ পণ্ডিত সকলে লৰাটোৰ প্ৰশংসা কৰে। যজ্ঞ শেষ হলে বেদমন্ত্ৰৰ লগত ধ্বজ-স্তম্ভ প্ৰতিষ্ঠিত হয়।

পাছদিনাখন জনাৰ্দন স্বামীৰ বাবে ভোগ বনাব লাগিব। কাঠৰ প্ৰদীপ জ্বলোৱাৰ বাবে লৰাটোক মাতে উপাধ্যায়ে। "মই গুৰুৰ ঠাই অধিকাৰ কৰিব নোৱাৰো। প্ৰেত-সংস্কাৰ কৰি কোটি যজ্ঞৰ ফল লাভ হয়, হয়তো এইবিষয়ত সিদ্ধি লাভ কৰাৰ বাবে এই সুযোগ দিছে ভগবানে।" এই বুলি প্ৰদীপ জ্বলাবলৈ অস্বীকাৰ কৰে লৰাটোৱে।

উপাধ্যায়ে তেতিয়া মনে মনে ভগবানক প্ৰাৰ্থনা কৰি প্ৰদীপটো জ্বাবলৈ চেষ্টা কৰে। আচৰিত, অতি সহজতে জুই জ্বলি যায় প্ৰদীপত। কিন্তু আজি ইয়াৰ মাজত অলপো গৰ্ব অহংকাৰ নাই। কৃতজ্ঞতাত তাৰ মূৰ তলমূৰ হৈ আহে জনাৰ্দন স্বামীৰ আগত।

অলপদিনৰ পাছত উপাধ্যায়ৰ ঠাইত লৰাটোৱে নিযুক্তহয়। বহু নাম অৰ্জন কৰে সি।

মনৰ এটা সৰু দাগ

গাঁওৰ সীমানাত এখন বন আছিল। গাঁৱৰ গৰুমহাদি সদায় তাত ঘাহ খাবলৈ যায়। সন্ধিয়া হোৱাৰ লগে লগে আকৌ উভতি আহে। এদিনাখন সেই গাঁৱৰ এজন কৃষকে তেঁওৰ পুত্ৰৰ লগত বিয়া খাবলৈ গৈ আছিল সেই বনৰ পথেৰে, অলপসময়ে বহুখিনি পথ যাব পাৰি।

এটা সৰু ছাগলী ইয়াৰ দলৰ পৰা ওলাই আহি এখন পুখুৰীৰ পানী খাবলৈ আহে। পুখুৰীটোৰ পাৰত বোকামাটিৰে ভৰ্তি। ছাগলীটো পানীৰ পিনে আগবাঢ়ি গৈ থাকোতে সৰু সৰু ভৰি দুখন বুকাত সুমাই যায়। যিমান তাৰপৰা উঠি আহিবলৈ বিচাৰে তিমানেই ইয়াৰ ভৰিদুখন আটকি যায়। ছাগলীটো মাতি থাকে।

ছাগলীটোৰ অৱস্থা চাই কৃষকজনৰ মনত দয়া আহে। তেঁও সোনকালে পিন্ধি থকা ধুতি ওঠাই বোকাত নামে। সৰু ছাগলীটোক সাবধানেৰে দুই হাতেৰে তুলি লৈ আহে, শুকান ঠাইত নমাই ৰাখে। ছাগলীটো মাটিত নামি গাটো জোকাৰি দিয়ে, যাতে গাত লাগি থকা বোকামাটি সকলো পৰি যায়। তাৰপাছত দৌড় মাৰি দলৰ লগত গৈ মিলি যায়। কৃষক জনৰ ধুতি-ছোলা সকলো বোকামাটিৰ দাগ পৰি যায়।

সেয়া চাই কৃষকজনৰ লৰাটোৱে কলে, "দেউতা, এনেই আপোনী ছাগলীটোক বঁচাবলৈ গ'লে। আপোনাৰ কাপোড় ছোলা সকলো বেয়া হৈ গ'ল। এই কাপোড় লৈ আপোনি কেনেকৈ বিয়া খাবলৈ যাব?"

কৃষক জনে হাঁহি লৰাটোক কলে, "কাপোড়ত যি.বোকা লাগিছে সেয়া অতি সহজে পৰিষ্কাৰ কৰিব পাৰি। কিন্তু, কাৰোবাক সাহায্য কৰাৰ সুযোগ আৰু সুবিধা থকা সত্ত্বেও যদি সেয়া নকৰো তেতিয়াহলে মনত যি দাগ লাগিব সেয়া পৰিষ্কাৰ কৰা কেতিয়াও সম্ভৱ নহয়। এনেকুৱা পৰীক্ষা জীৱনত কেতিয়াবা কেতিয়াবা আহে, যি আমাৰ ভবিষ্যত নিয়তিক নিৰ্ধাৰন কৰে। ধৰা, বিপদত যি ছাগলীটো পৰিছিল ইয়াক সাহায্য নকৰি যদি গুচি গলো হয়, আৰু কোনো কাৰনত যদি আমিই এনেধৰনৰ কোনো বোকামাটিৰ মাজত পড়ি গলো হয়, তেতিয়াহলে কি এই মুখেৰে ভগবানৰ ওচৰত সাহায্যৰ প্ৰাৰ্থনা জনাব পাৰিলো হয়। মনত ৰাখিবা, এটা সৰু পৰোপকাৰও মানুহক দেবত্বৰ ফালে লৈ যায়।"



আৱিষ্কাৰ কৰা! নিজক প্ৰকাশ কা

এই সংখ্যাত প্ৰকাশিত প্ৰশ্নাবলীৰ উত্তৰ অহা সংখ্যাত দিয়া হব। এই সময়ৰ মাজত 'ভাৰত আৱিষ্কাৰ প্ৰশ্নোত্তৰত চান্দমামা বিল্ডিংস, বড়া পালানি, চেন্নাই ৬০০ ০২৬' ঠিকনাত পঠোৱাৰ বাবে স্বাগত জনোৱা হল। কিন্তু এই, প্ৰশ্নোত্তৰ প্ৰতিযোগিতাত অংশগ্ৰহনৰ বাবে তলত লিখা সৃজনশীল কৃতিত্ব আবশ্যকঃ।

চান্দমামাৰ আগৰ সংখ্যাত প্ৰকাশিত বিষয়সূচীৰ কোনটো সৰ্বপেক্ষা ভাল লাগিছে আৰু কিয়? বিষয়টো বা গল্পৰ নাম আৰু পৃষ্ঠা সংখ্যা দি এশটা শব্দৰ মাজত লিখিব লাগিব, কিয় ভাল লাগিছে। অভিভাৱক বা শিক্ষকৰ ওচৰৰ পৰা অনুমোদন আৰু স্বাক্ষৰ কৰাই নিজৰ হাতেৰে লিখা নাম, বয়স, শ্ৰেনী, বিদ্যালয় (ছাত্ৰছাত্ৰীসকলৰ ক্ষেত্ৰত) আৰু নিজৰ সম্পূৰ্ন ঠিকনা লিখি ওপৰত লিখা চান্দমামাৰ ঠিকনাত পঠাব লাগিব।

প্ৰথম পুৰস্কাৰ : ১০০০ টকা
দ্বিতীয় পুৰস্কাৰ : ৫০০ টকা

ইয়াৰ বাহিৰে আছে
পাঁচটা অভিনন্দন পুৰস্কাৰ
প্ৰতিটো ২০০ টকা

চান্দ

ভাৰত আবিষ্কাৰ ৰ প্ৰশ্ন :

এজন-যুবক এজন সাধুৰ ওচৰত আহে, কোনো বিষয়ত তাৰ পৰামৰ্শ বিচাৰে। সাধুজনে যুবকৰ প্ৰশ্নৰ উত্তৰ তেতীয়াই নিদিয়ে। যুবক জনে অপেক্ষা কৰি থাকে। সেই সময়ত সাধুৰ পত্নীয়ে কুঁৱাৰ পৰা পানী উঠাই আহিল। সাধুয়ে পত্নীক মাতিলে। মাত শুনি পত্নী লগে লগে কলহৰ ৰছি এৰি দৌৰী গুচি আহে; পানীৰে ভৰ্তি কলহ তেতিয়া মাজ ৰাস্তাত। যুবকজনে দেখী আচৰিত হৈ যায়। বিশ্ময়ত যে, পাত্ৰটো মাজপথত ওলমি আছে। কোনেও ৰছিডাল ধৰাও নাই। কোনো বস্তুৰ সহায় নোহোৱাকৈ ওলমি আছে। যুবক জনে বুজিলে, স্বামীৰ প্ৰতি পত্নীৰ বৰ ভক্তিআৰু কিছু অলৌকিক ক্ষমতাৰও অধিকাৰী তেওঁ। সাধু জন কোন? তেওৰ পত্নীৰ নাম কি?

তলত লিখা যুগল চৰিত্ৰৰ মাজত কি সম্পৰ্ক আছে?

বিভিন্ন ভাষাত চান্দমামা :

াবাৰ ! পুৰস্কাৰ জয় কৰি লোৱা !

১. কোনো প্ৰচীন গ্ৰন্থত ৰজা বিক্ৰমাদিত্যৰ বেতালৰ ২৫টা গল্প আছে ?

২. কালিদাশৰ সময়ত উজ্জয়িনীৰ নাম কি আছিল?

৩. কালিদাশৰ আগত এজন নামকৰা নাট্যকাৰ কোন আছিল?

৪. প্ৰচীন ভাৰতৰ কোন বিখ্যাত কবি এজন ৰজা আছিল, কিন্তু পিছত তেওঁ যোগী হয়। তেওঁৰ লিখা - পুস্তকৰ নাম কি?

৫. বাল্মীকি ৰামায়নৰ কোন অংশ পৰবৰ্তীকালত যুক্ত হৈছে?

মামা

শৰ্তাবলী

১. চান্দমামা ইন্ডিয়া লিমিটেড, লিনটাস, আমিৰাট্টি পুৰিস ইন্ডিয়া লিমিটেড, ইনিসিয়েটেড মিডিয়া আৰু ব্ৰিটানিয়া ইন্ডাস্ট্ৰিস, ৰ কৰ্মীবৃন্দ, সিঁহতৰ আলহীসকল বা সিঁহতৰ লগত সম্পৰ্কযুক্ত কোনেও এই প্ৰতিযোগিতাত অংশগ্ৰহন কৰিব নোৱাৰে।

২. এই বিষয়ে নিযুক্তবিচাৰকসকলৰ সিদ্ধান্তই চূড়ান্ত; এই সম্বন্ধে কোনো পত্ৰ লিখা বা যোগাযোগ কৰা নাযাব।

৩. অপাঠ্য বা দুষ্পাঠ্য লিখা বাতিল কৰা হব।

৪. ‘চান্দমামা’ - আগস্ট ২০০০ সংখ্যায় ফলাফল প্ৰকাশিত কৰা হব।

৫. ৩০ জুন ২০০০ ৰ মাজত উত্তৰ - পত্ৰ পঠোৱা অবশ্যাই প্ৰয়োজন।

ক. ধৃতৰাষ্ট্ৰ	-	গান্ধাৰ
খ. সাবিত্ৰী	-	শল্ব
গ. সহদেব	-	মদ্ৰদেশ
ঘ. কৰ্ণ	-	অঙ্গ
ঙ. বব্ৰুবাহন	-	মণিপুৰ

এটা সৰ্বজনীন ঐতিহ্য

ভাৰত :

তেতিয়া আৰু বৰ্তমান

কলিকতা

বৃটিছ ভাৰতৰ প্ৰথম ৰাজধানী

কলিকতা অথবা কোলকতা? কলিকতা নামৰ পৰিবৰ্তে কলকতা নাম ৰখাৰ সিদ্ধান্ত হৈছে। ইয়াৰ দ্বাৰা নামৰ অৰ্থৰ কিবা পৰিবৰ্তন হব জানো? নহয়। কাৰন, দুয়োটা নামৰ ভিতৰত মাত্ৰ উচ্চাৰনৰ পাৰ্থক্য। কিন্তু চহৰখনৰ এই নাম কিয় হ'ল সেইটো আজিও ৰহস্যময়।

১৬৯৮ চনৰ নভেম্বৰৰ তাৰিখে জমিদাৰ সুবৰ্নৰায় চৌধুৰীয়ে ইস্ট ইণ্ডিয়া কোম্পানীৰ তেওঁৰ তিনিখন গাও বিক্ৰি কৰি দিয়ে। সেই ইস্ট ইণ্ডিয়া কোম্পানীৰ ইংৰাজ ব্যাবসায়ীৰ এটা দলে ভাৰতৰ সৈতে ব্যাবসায় কৰিব বিচাৰে। সেই তিনিখন গাও আছিল কালীঘাট, সুতানুটি আৰু গবিন্দপুৰ। কোম্পানীৰ হৈ জব চাৰ্নকে গাওতিনিখন কিনিছিল আৰু সেই তিনিখন গাও মিলি নাম হল কলিকতা বা কলকাত্তা। হয়তো, কালীঘাটৰ পৰাই নামটো লোৱা হৈছে। এই কালীঘাট গাৱঁতেই আছিল এটা প্ৰাচীন কালীমন্দিৰ, যিটো আজিও আছে।

কথিত আছে, জবচাৰ্নকেই এই নগৰৰ পত্তন কৰিছিল সদ্য স্বামীহাৰা এজনী মহিলায়, যি গৰাকীয়ে স্বামীৰ চিতাত মৰিবৰ বাবে সাজু হৈছিল, তাইক জবচাৰ্নকে লৈ গৈ বিয়া কৰায়। জবচাৰ্নকৰ সমাধি এতিয়াও আছে কলিকতাত।



গঙ্গা বা হুগলি নদীৰ পাৰত নগৰৰ ৰূপত কলিকতাৰ বিকাশ লাভ সোনকালে হৈ যাবলৈ ধৰিলে। ৰুডওয়ার্ড কিপলিঙ-ৰ ভাষাত, এই সংযোগ নিৰ্দিষ্ট আছিল, এই সংযোগত যেন এক নিৰ্মিত নগৰকেই পোৱা গৈ-ছিল। ইয়াতে ইস্ট ইণ্ডিয়া কোম্পানীয়ে এটি দুৰ্গ-নিৰ্মান আৰম্ভ কৰে, যিটো সম্পূৰ্ন হয় ১৭১৬ চনত। তাৰ, পিছৰ বছৰতেই মুগল বাদশাহে বংগলাদেশত ব্যাবসায় কৰিবৰ কাৰনে কোম্পানীক অধিকাৰ দিয়ে। সেই দুৰ্গই আছিল ব্যাবসায়ৰ কেন্দ্ৰস্থল। সেই দুৰ্গই ফোৰ্ট উইলিয়াম নামেৰে জনাজাত।

কিন্তু ব্যাবসায়ীৰ জানো দুৰ্গৰ প্ৰয়োজন হয়? অকল শাসক সকলকে আৱশ্যক হয়। ব্যাবসায়ৰ কাৰনে আহি কোম্পানীয়ে এটাৰ পিছত এটা জমিদাৰি কিনিবলৈ আৰম্ভ কৰে; তাৰ পিছতেই

নিয়মীয়া সৈন্যদল গঠন কৰি ৰাজ্য অধিকাৰ কৰিবলৈ আৰম্ভ কৰি দিয়ে।

বংগৰ নবাব সিৰাজদৌল্লা আৰু কোম্পানীৰ মাজত যুদ্ধ লাগিয়েই থাকিব ধৰিলে। ১৭৫৬ চনত কোম্পানীৰ কাহিনীত হেৰুৱাই নবাবে কলিকতা অধিকাৰ কৰে। কিন্তু পিছৰ বছৰতেই ক্লাইৱৰ নেতৃত্বত কোম্পানীৰ বাহিনিয়ে নগৰ অধিকাৰ কৰে আকৌ। সোনকালে দুইশক্তিৰ মুৰ্শিদাবাদৰ পলাশীৰ প্ৰান্তৰত এটা ভয়ঙ্কৰ যুদ্ধ হয়। সিৰাজৰ পৰাজয় হয় এই যুদ্ধত আৰু কোম্পানীৰ সৈন্যই তেঁও বৰ বেয়া বাবে হত্যা কৰে। ১৭৭২ চনৰ বিতৰত বিশাল ৰাজ্যাংশ অধিকাৰ কৰি কোম্পানীয়ে সিহঁতৰ শাসনৰ বাবে এজন গভৰ্নৰ জেনাৰেল নিযুক্তকৰে। এই পদত প্ৰথমে-নিযুক্ত হয় ওয়াৰেন হেস্টিংস। ফোৰ্ট উইলিয়মৰ পৰাই তেওঁ শাসন পৰিচালন কৰিছিল। লাহে লাহে ছলেবলে কৌশলে কোম্পনী ভাৰতৰ বহুতোখিনি অধিকাৰ কৰে। সেই সময়তে বৃটিছ ভাৰতৰ ৰাজধানী হয় কলিকতা। ১৯১২ চনলৈকে ভাৰতৰ ৰাজধানী আছিল কলিকতা।

কলিকতাৰ বৰ্তমান পশ্চিম বঙ্গৰ ৰাজধানী। কলিকতাৰ সবোতকৈ প্ৰাচীন বস্তুহৈছে কালীঘাটৰ কালীমন্দিৰ। এই অঞ্চল অতীতত যেতিয়া ঘন হাবিৰে আবৃত আছিল তাৰ আগতেও এই মন্দিৰত ইস্ট দেবীৰ পূজা হৈছিল। ইয়াত আন আন প্ৰসিদ্ধ মন্দিৰও আছে। যেনে ধুনীয়া জৈনমন্দিৰ পাৰেশ নাথ, মদনমোহন মন্দিৰ। আৰু আছে শতাব্দী-প্ৰাচিন গিৰ্জা যেনে আমেৰিকা গীৰ্জা ঘৰ, সেন্ট পল্‌স্ ক্যাথিড্ৰাল আদি। আন আন স্মাৰক স্তম্ভ আৰু সংস্থা - শহীদ মীনৰ, ভিক্টোৰিয়া স্মৃতি সৌধ, কবি ৰবীন্দ্ৰনাথৰ জন্মস্থান। ইয়াৰ বাহিৰেও আছে বহুতো বিশ্ববিদ্যালয় কলা আৰু সংস্কৃতি কেন্দ্ৰ। ভাৰতৰ একমাত্ৰ চহৰ য'ত বিদ্যুৎ চালিত ট্ৰামগাড়ী চলো। ১৯৬২ চনত ভাৰতৰ প্ৰথম কৃতিম নভোমণ্ডল বা তাৰামণ্ডল ইয়াত স্থাপিত হয়। ভাৰতৰ সৰ্বপ্ৰথম পাতাল ৰেল ব্যবস্থাৰ আৰম্ভ হয় এই চহৰতে প্ৰথম বিজ্ঞান চহৰ হিচাবে কলিকতাই স্বিকৃত লাভ কৰে ১৯৯৭ চনত।

কলিকতা জিলা, যিখন প্ৰধানত চহৰ, ইয়াৰ জন সংখ্যা ৪৪ লাখৰ ওপৰত। কলিকতাৰ পশ্চিম ফালে গংগাৰ পাৰত অৱস্থিত আন এখন চহৰ হাওৰা। ইয়াৰ জনসংখ্যা ৩৮ লাখৰ ওপৰত। ২৪ পৰগনাৰ জিলাৰ এটি অংশ বৃহতৰ কলিকতাৰ অংগ।



কুখ্যাতি বা দুৰ্ণামে পৃথিবীক এটা নতুন শিক্ষা দিয়ে

পুৰণি এথেন্সৰ মাজভাগত বৰ আগ্ৰহৰ সৈতে অলিম্পিক খেল খেলা হৈছিল। বহু বছৰৰ পাছত ১৮৯৬ চনৰ ৬ এপ্ৰিল তাৰিখত আকৌ প্ৰচলন হ'ল।

আগৰ অলিম্পিক খেলত, এজন বিজয়ীক জলফাই গছৰ পাতেৰে বনোৱা মুকুট উপহাৰ দিছিল। এইটো গৌৰবৰ চিহ্ন আছিল। যি

বিশ্বৰ বাতায়নত

আবশ্যক আছিল সেয়া হ'ল এজনৰ ক্ষমতা, দক্ষতা, শক্তি আৰু সহাশক্তি। কিন্তু পুৰনিকালৰ মানুহে বিশ্বাস কৰিছিল যে, এনেধৰনৰ গুন বিলাক খেলুৱৈৰ চৰিত্ৰ, সৎভাব আৰু তেঁওৰ সৰলতাৰ মাজৰে হাতে হাতে গৈছিল।

অলিম্পিক খেলটো আকৌ প্ৰচলন হ'ল, কিন্তু পুৰনি কালত যিদৰে খেলৰ স্ফুৰ্তি লৈ খেলিছিল তেনেকুৱা নাছিল। লাহে লাহে খেলত অংশ গ্ৰহন কাৰী বিলাকে বহুতো মানুহৰ আয়ৰ পাত্ৰ হৈ থিয় হৈছিল। আগত খেলুৱৈ বিলাকে নিজৰ মৰ্যাদা আৰু উৎসাহ লৈ খেলিছিল। এটা সময় আহিল যেতিয়া খেলুৱৈবিলাকে সমষ্টিগত আত্মা বা মায়াবাদ প্ৰদৰ্শন কৰিছিল। একোখন দেশৰ মানুহে এনে আচৰন কৰিব ধৰিলে যে দেশখনৰ মহত্ত্ব নিৰ্ভৰ কৰে কেইজনমান খেলুৱৈৰ জয়লাভৰ ওপৰত। খেলুৱৈ বিলাকে সিহতৰ গাৰ বলেৰে অথবা শক্তিৰে খেলা পাহৰিলে; সিহতে অকল টকা-পইচাৰ বাবেহে খেলিবলৈ ধৰিলে।

যি নহওক কিয় এইবিলাকে ইয়াৰ আদৰ্শ আৰু সচা শক্তিটোক নষ্ট কৰে। খেলত অংশগ্ৰহন কাৰীয়ে বহুতো বেয়া বস্তু যেনে ড্ৰাগছ লৈ খেলিবলৈ ধৰিলে। কেইজন মানুহে ছাউথ আফ্ৰিকাৰ অধিনায়কক লোভ দেখুৱাই কৈছে যে যদি ভাৰতীয় ক্ৰিকেট দলৰ লগত যদি হাৰি যায় তেতিয়াহলে বহু টকা ছাউথ আফ্ৰিকাৰ দলটোক দিব, এই বিষয়টো লৈ এতিয়াও তদন্ত চলি আছে।

এইটো এটা লাজৰ বিষয়। কিন্তু

মানবজাতীয়ে যদি এই ঘটনাটোৰ পৰা সচেতন নহয় তেতিয়াহলে ভবিষ্যতত এনেকুৱা বহুতো লাজকীয়া ঘটনাৰ সম্মুখীন হব লাগিব। আমি খেলৰ বিষয়ে কম বিভ্ৰম হব লাগে। আমি ইয়াৰ প্ৰাপ্যখিনি ইয়াক দিব লাগে, কিন্তু এনেকুৱা দেখুৱাব নালাগে যে আমাৰ নিয়তি বা ভাগ্য ইয়াৰ ওপৰত নিৰ্ভৰ কৰে।

যেতিয়া খেল সম্বন্ধীয় বিষয়ে শিক্ষা দিয়া হয়, তেতিয়া সকলো দেশে খেলৰ অৱস্থা বা ভাবভঙ্গী সম্বন্ধে শিক্ষা দিব লাগে।

ন্যায় অনুসৰি, খেলত বাহিৰৰ পৰা বাজি কৰাটো বন্ধ কৰিব লাগিব আৰু তেনেকুৱা কৰা, মানুহবোৰক শাস্তি দিব লাগিব। খেল বস্তুটো সম্পূৰ্ন ব্যবসায় মূলক হবলৈ দিব নালাগে।

লিখক জৰ্জ ওৰেলে আমাক এই অৱস্থা সম্বন্ধে জ্ঞাত কৰিছিল যাতে আমি ইয়াৰ পৰিবৰ্তন কৰিব পাৰো। যদি আমি পৰিবৰ্তন কৰিব নোৱাৰো, তেতিয়াহলে খেলটো এখন ধেমেলীয়া নাট হৈ উঠিব।

ফোটো
নামকৰণ প্ৰতিযোগিতা

ফোটো-নামকৰন দুই-তিনিটা শব্দেৰে হ'ব লাগিব।
প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব
লাগিব। ২০০০ চনৰ মাৰ্চ মাহৰ।

ফোটো
নামকৰন
প্ৰতিযোগিতা
চন্দমামা
বডপলনী
চেন্নৈ - ৬০০ ০২৬

২৫ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। কেৱল প'স্টকাৰ্ডত লিখি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ছবিৰ শিৰোনামৰ পাতা

বিজয়ী প্ৰতিযোগী :
ৰীতা দেবনাথ
ডঃ ৰবীন্দ্ৰ চন্দ্ৰ দেবনাথ
ধিং নগাঁও (আসাম)

বিজয়ী নামকৰন :
প্ৰকৃতিৰ পশু।
কৃত্ৰিম সাজত, অজোৱা পশু।

চান্দমামাৰ বছৰেকীয়া বৰঙনি :
ভাৰতত ১২০.০০ টকা মাথোন

Payment in favour of CHANDAMAMA INDIA LIMITED for details address you enquires to :
Publication Division, Chandamama Buildings, Vadapalani, Chennai-600 026

SUBSCRIPTION AGENTS INVITED.
Contact Circulation Manager, CHANDAMAMA INDIA LTD,
Chandamama Bldgs., Vadapalani, Chennai - 600 026.

nutrine

Maha Cruise

Nutrine Maha Lacto. The Best Lacto in Town.

For more Pranky fun visit: www.gogokid.com

Mudra:RASNA:28 Ben